ইতিহাসৰ আদিপাঠ

দেশৰ ভাষা

দেবাৰতি বাগচী

অনুবাদ – অৰূপ কলিতা

ছবি

ৰঞ্জিত চিত্ৰকৰ

সিৰাজউদ্দৌলা চিত্ৰকৰ

IDSK

ROSA LUXEMBURG STIFTUNG SOUTH ASIA

ইতিহাসৰ আদিপাঠ : দেশৰ ভাষা

লেখা ৰচনা – দেবাৰতি বাগচী
অনুবাদ – অৰূপ কলিতা

কলকাতা, মাৰ্চ ২০২৩

ইতিহাসৰ আদিপাঠ: দেশৰ ভাষা
কলকাতা, মার্চ ২০২৩
ৰচনা – দেবাৰতি বাগচী
অনুবাদ – অৰূপ কলিতা
সম্পাদনা – অন্বেষা সেনগুপ্ত, দেবাৰতি বাগচী
ছবি – ৰঞ্জিত চিত্ৰকৰ, সিৰাজউদ্দৌলা চিত্ৰকৰ
বেটুপাত, মানচিত্ৰ আৰু পৰিকল্পনা – ৰাছিম হেলাল
মুদ্ৰণ – এছ এছ প্ৰিণ্ট, নৰসিংহ লেন, ৰাজা ৰামমোহন ৰয় সৰণি, কলকাতা – ৭০০০০৯
প্ৰকাশক – ইনষ্টিটিউট অৱ ডেভ'লপমেণ্ট ষ্টাডিজ কলকাতা,
২৭/ডি, ডি ডি ব্লক, চেক্টৰ ১, বিধাননগৰ, কলকাতা, পশ্চিমবংগ -৭০০০৬৪
ৱেবছাইট – www.idsk.edu.in
idsk@idskmail.com / office@idsk.edu.in

আৰ্থিক সহযোগ – ৰোজা লুক্সেমবাৰ্গ ষ্টিফটুঙ, লায়েছন অফিচ, নতুন দিল্লী
চি -১৫, এছ ডি এ মাৰ্কেট, নতুন দিল্লী – ১১০০১৬, ভাৰত
ৱেবছাইট – https://www.rosalux.in
ই মেইল – south-asia@rosalux.org
এই কিতাপখন শিক্ষা জগতৰ লগত জড়িত বিভিন্ন চৰকাৰী, বেচৰকাৰী প্ৰতিষ্ঠান, নীতি নিৰ্ধাৰক সংস্থা, সংবাদ মাধ্যম, শিক্ষক-শিক্ষয়ত্ৰী আৰু ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ দিয়া হ'ব।

This publication is sponsored by the Rosa Luxemburg Stiftung with grants from the Federal Ministry for Economic Cooperation and Development of the Federal Republic of Germany. This publication or parts of it can be used by others for free as long as they provide a proper reference to the original publication.
The content of the publication is the sole responsibility of the partner and does not necessarily reflect a position of RLS.

সূচীপত্ৰ

১। ভাষাৰ সীমা	০৭
২। ভাষাৰ সৰু বৰ	১৩
৩। বাংলা – বঙালী-বাংলাদেশ	
(ক) বংগ ভংগ আৰু তাৰ বিৰুদ্ধে ঐক্যবদ্ধ হোৱা	২১
(খ) বংগৰ বাবে পৃথক দেশ	২৭
৪। ভাষাই বান্ধে, ভাষাই গঢ়ে?	
(ক) ভাষাৰ বাবে ৰাজ্য	৩৩
(খ) অসমত ভাষাৰ সংঘাত	৪০
৫। দেশ সকলোৰে, তথাপি কোনোবা বাদ পৰি যায় নেকি?	৪৯
৬। শেষৰ কথা	৫৩

ইতিহাসৰ আদিপাঠ : দেশৰ ভাষা

হাওড়া
ଭୁବନେଶ୍ୱର
తిరుపతి
ಯಶವಂತಪುರ
విజయవాడ

১। ভাষাৰ সীমা

ছোটবেলায় সৰু হৈ থাকোতে আমি এবাৰ ফুৰিবলৈ গৈছিলো কৰ্ণাটকৰ ৰাজধানী বাংগালোৰলৈ। অৱশ্যে এতিয়া ঠাইখনৰ নাম সলনি হৈছে। সেই ঠাইৰ মানুহে কানাড়া ভাষাত কথা পাতে আৰু সেই ভাষাৰ উচ্চাৰণ অনুসৰি চৰকাৰী নাম ৰখা হৈছে বাংগালুৰু। কলকাতাৰ পৰা বাংগালুৰুলৈ আমি ৰাওনা হ’লো যশৱন্তপুৰ এক্সপ্ৰেছত। চাৰিখন ৰাজ্য পাৰ হৈ ৰে’লগাড়ী পাবগৈ বাংগালুৰু। এই যাত্ৰাৰ কথা ভাবি আমাৰ খুবেই ভাল লাগিল। ইমান সময় ৰে’লত থাকিম, ৰে’লত যাম, ৰে’লত টোপনি যাম। আগতেই ভাবি ল’লো যে খিৰিকীৰ কাষৰ আসন আন ককো এৰি নিদিও, ষ্টেছনবোৰ চাই চাই যাব লাগিবতো! তিনিটা ভাষাত ষ্টেছনৰ নাম লিখা হালধীয়া ফলকবোৰ চাই চাই যাব লাগিব ন! কিমান যে নতুন নতুন ষ্টেছনৰ নাম জানিব পাৰিম। ৰে’লগাড়ী চলিবলৈ আৰম্ভ কৰাৰ পাছৰে পৰা বহুদূৰলৈ আমি হিন্দী, ইংৰাজী আৰু বাংলা ভাষাত ষ্টেছনৰ নাম পঢ়িবলৈ পালো। তাৰ পাছত এটা সময়ত বাংলা আখৰৰ ঠাই ল’লে নতুন এটা আখৰে। সকলো ষ্টেচনতে ৰে’লগাড়ী নৰয়, ঝক ঝক কৈ পাৰ হৈ গুছি যায়। ভুৱনেশ্বৰত যেতিয়া ৰে’লগাড়ীখন ৰ’ল, তেতিয়া আমি জানিব পাৰিলো যে এইখন আমাৰ চুবুৰীয়া ৰাজ্য ওড়িশা।ভালদৰে চাই বুজিব পাৰিলো যে সেই ৰাজ্যৰ ভাষা ওড়িয়াৰ আখৰ বুজাটো অলপ টান। এসময়ত আমাৰ ট্ৰেইন ওড়িশা পাৰ হৈ প্ৰৱেশ কৰিলে অন্ধ্ৰপ্ৰদেশত। অনুমান কৰিলো যে বিজওৱাৰা ষ্টেচনৰ নাম যি আখৰত লিখা আছে সেয়া নিশ্চয় তেলেগু।

কৰ্ণাটকত সোমাৱাৰ লগে লগে সেই আখৰ সলনি হ'ল কানাড়াৱে। দূৰণিবটীয়া ট্ৰেইনত ভ্ৰমণ কৰাৰ আমেজেই সুকীয়া। কেনেকৈ কিমান ভাষা, কিমান আখৰ চিনাকি হৈ যায়।

আমাৰ দেশখন এখন বিশাল দেশ। তাৰ ঠাইবিলাকো নানা ধৰণৰ। কৰবাত যদি পাহাৰ, কৰবাত অৰণ্য, কৰবাত আকৌ সাগৰ বা নদী। কোনোবা ঠাইত মানুহৰ ভিৰত গিজগিজাই থকা চহৰ, আন কৰবাত আকৌ মাইল মাইল কেৱল কৃষি ভূমি, গছে বনে ঘেৰি থকা গাওঁ। কৰবাত ভীষণ শীত, কৰবাত উৎকট গৰম আৰু কৰবাত অবিৰাম বৰষুণ। কেৱল সেয়াই নহয়, ভিন ভিন ঠাইৰ মানুহৰ অনেক ধৰণৰ সুকীয়া সুকীয়া ভাষা, ধৰ্ম, পোছাক পৰিচ্ছদ, বিভিন্ন ধৰণৰ খোৱা –বোৱা ইত্যাদি। সেইবাবেই ইমান ডাঙৰ আৰু ইমান বৈচিত্ৰ্যপূৰ্ণ দেশ এখনৰ শাসনৰ বাবে উপযুক্ত ব্যৱস্থাৰ প্ৰয়োজন। একেবাৰে ওপৰত থাকিব প্ৰধানমন্ত্ৰী আৰু তেওঁৰ মন্ত্ৰীসকলক লৈ কেন্দ্ৰীয় চৰকাৰ। এই বিশাল দেশখন আকৌ কেবাটাও সৰু সৰু ভাগত বিভক্ত। প্ৰতিটো ভাগকেই ৰাজ্য বুলি কোৱা হয়।

শাসন কৰাৰ কামটো ভগাই লোৱাৰ বাবে এখন ৰাজ্যৰ পৰা আন এখন ৰাজ্যক পৃথক কৰাৰ ব্যৱস্থা থাকে৷ প্ৰতিখন ৰাজ্যক শাসন কৰাৰ দায়িত্বত থাকে একোজন মুখ্যমন্ত্ৰী আৰু তেওঁৰ সহযোগীসকল। তেওঁলোকে বুজি ল'ব লগা হয়- এইখিনিলৈকে আমি শাসন কৰিবলগীয়া অঞ্চল, তাৰ পাছৰ ঠাইখিনিৰ দায়িত্ব চুবুৰীয়া ৰাজ্যৰ। এই যেনেকৈ পশ্চিমবংগ এখন ৰাজ্য, তেনেকৈ তাৰ পশ্চিমফালে ঝাৰখণ্ড, দক্ষিণত ওড়িশা আৰু উত্তৰ পূব কোনত গ'লেই অসম।

সকলো ঠাইলৈ আমি যাব নোৱাৰো যদিও মানচিত্ৰ চাই চাই ভালকৈ চিনি লওঁ,ভাৰতৰ ক'ত কোন কোন ৰাজ্য আছে। সময় সুযোগ মিলিলেই কোনোবা ৰাজ্যলৈ কেতিয়াবা ট্ৰেইনত, বাছত বা উৰাজাহাজত উঠি যাবও পাৰি।তাত গৈ শুনিবলৈ পাম অন্য ভাষাত হোৱা কথা বতৰা। ৰাস্তা ঘাট - দোকানে বজাৰে দেখিবলৈ পাম সেই ভাষাত লিখা শব্দ। খোৱা লোৱাও হ'ব ভিন্ন ধৰণৰ।

শাসনৰ সুবিধাৰ বাবে তৈয়াৰ কৰা হৈছে ৰাজ্যৰ সীমা। কিন্তু সেয়া জানো বাস্তৱত একে ধৰনে খাপ খাই পৰে? সীমান্ত পাৰ হৈ অন্য ৰাজ্যত সোমালেই যে যাদুৰ দৰে সকলো বেলেগ ধৰণৰ হৈ যায়, সেয়াতো আৰু নহয়! ট্ৰেইনত ঝাৰখণ্ডৰ পৰা পুৰুলিয়া আহিলেই দেখিবলৈ পাম,তাত ষ্টেচনৰ নাম বাংলা আখৰত লিখা। কিন্তু ট্ৰেইনৰ পৰা নামি এই অঞ্চলৰ মানুহৰ লগত মিলা মিছা কৰিলে দেখা যায় যে পুৰুলিয়া আৰু ঝাৰখণ্ডৰ ভাষা বহু পৰিমানে একে ধৰণৰ! দুই ৰাজ্যৰে বহু মানুহে চাওতালী ভাষাত কথা পাতে। ইংৰাজসকলৰ শাসন কালত এই অঞ্চলটো এটা সময়ত জঙ্গলমহল নামৰ এটা ডাঙৰ ডিভিজনৰ মাজত আছিল। পিছলৈ ই সৰু সৰু ৰাজ্যত ভাগ হয়। পুৰুলিয়া অন্তৰ্ভুক্ত হ'ল পশ্চিমবংগত। যিসকলে পুৰুলিয়াত বাংলা কয়, তেওঁলোকৰ বাংলা কিন্তু কলকাতাৰ দৰে নহয়, অন্য এক ধৰণৰ উচ্চাৰণৰ বাংলাহে। ৰাজ্য একেখন হ'লেও, পুৰুলিয়াৰ পৰা কলকাতা যে বহুদূৰত। অথচ একেবাৰে কাষতেই যে থাকে ঝাৰখণ্ডৰ প্ৰতিবেশীসকল, যদিও তেওঁলোক এতিয়া বেলেগ ৰাজ্যৰ মানুহ। মানুহৰ দৈনন্দিন

জীৱনৰ ভাষা মিলামিছা, খোৱা লোৱা, গীত মাত সীমান্তৰ টনা আজোৰাৰে পৃথক কৰিব পৰা নাযায়! প্ৰতিৱেশীৰ লগতেই চলে এইবোৰৰ লেনদেন। সেয়ে নিকটৱৰ্তী আৰু ওচৰে পাজৰে থকা ৰাজ্যৰ মানুহৰ ভাষাৰ মিল পোৱা যায়।

সীমান্ত এক জটিল বিষয়। ওচৰে পাজৰে থকা, একেই ভাষাত কথা কোৱা মানুহবোৰো বহুসময়ত দুখন বেলেগ দেশৰ মাজত ভাগ হৈ যাব পাৰে। এই যে আমাৰ পশ্চিমবংগৰ গাৰ কাষতে বাংলাদেশ, তাতো কিন্তু সকলোৰে ভাষা বাংলা – হয়তো সেই বাংলা কথাৰ সুৰ কিছু বেলেগ, কিছু শব্দ বেলেগ। ১৯৪৭ ত যেতিয়া দেশখন ভাগ হ'ল, তেতিয়া বংগ প্ৰদেশৰ মাজেৰে টানি দিয়া হ'ল সীমান্ত। এই সীমান্তৰ ভিত্তি আছিল ধৰ্ম। সেয়েহে এই অঞ্চলৰ একে ভাষাৰ মানুহবোৰ ভাগ হৈ গ'ল দুখন পৃথক দেশত। কাৰণ, তেওঁলোকৰ ধৰ্ম বেলেগ বেলেগ। এতিয়াও তেওঁলোকে একে ভাষাত কথা কয়, কিন্তু মিলা মিছা কৰা আৰু আগৰ দৰে সহজ নহয়। ভাবিবলৈ কেনেকুৱা আচৰিত লাগে যে এফালে নানা ভাষাৰ এখন বৃহৎ দেশ ভাৰত আৰু তাৰ এটা কোনত এখন বাংলা ভাষাৰ ৰাজ্য। যাৰ নাম পশ্চিমবংগ। আৰু তাৰ কাষতেই এখন সমগ্ৰ দেশ, যাৰ ভাষা বাংলা। কিন্তু বাংলাদেশ যিমানেই ওচৰৰ নহওক কিয়, সেয়া বিদেশেই।

ধৰ্ম বা ভাষাক ইচ্ছামতে কামত লগাই সীমাৰেখা টানিব পৰা যায় জানো!আৰু কিয়বা সৃষ্টি হয় এনেকুৱা সীমা? আচলতে হঠাৎ এদিনতেতো আৰু এনেকুৱা নহয়। দেশৰ বা ৰাজ্যৰ সীমান্তই হওক, বা একেলগে থকা মানুহৰ মাজত সৃষ্টি হোৱা বা তৈয়াৰ কৰা নানা সীমান্ত,

সকলোৰে পাছফালে থাকে দীঘলীয়া ইতিহাস। কেতিয়াবা এনেকুৱা সীমান্ত ৰাষ্ট্ৰই ওপৰৰ পৰা জাপি দিয়ে, মানুহে তাৰ বিৰুদ্ধে প্ৰতিবাদ কৰে। কেতিয়াবা আকৌ মানুহে নিজেই দাবী কৰে সীমান্ত। নানা ঘটনাৰ ভিৰৰ মাজত সৃষ্টি হয় এটা সময়, যেতিয়া ভাষাৰ নামত মানুহৰ মাজত সীমাৰেখা তৈয়াৰ হয়। ইতিহাসৰ পাতৰ পৰা এনেকুৱা কিছু সময় বাচি লৈ ঘটনাটো আৰু অলপ ভালকৈ বুজাৰ চেষ্টা কৰা যাওক।

চট্টগ্রাম
ওড়িশা
অসম
সিলেট
বাংলা
বানান
বাংলা
অভিধান
বাংলা
ব্যাকৰণ
বাংলা
ভাষা

২। ভাষাৰ সৰু বৰ

আমাৰ পৰিচয়ৰ বহুবোৰ দিশ আছে – ভাষা, ধৰ্ম, জাত পাত, ক'ত বাস কৰো ইত্যাদি। ইতিহাস পঢ়িলে জানিব পৰা যায় যে কোনো কোনো সময়ত এটা পৰিচয়ে আনবোৰক চেৰাই ডাঙৰ হৈ উঠে। কেতিয়াবা সেই পৰিচয়ক কেন্দ্ৰ কৰি মানুহ একলগ হয়, কেতিয়াবা আকৌ তাকে লৈ আৰম্ভ হৈ যায় কাজিয়া। যেনেকৈ আমি জানো যে ১৯৪৭ চনত ভাৰত ভাগ হ'ল ধৰ্মীয় পৰিচয়ৰ ভিত্তিত, মানুহৰ মাজত ধৰ্মৰ পাৰ্থক্যটো ডাঙৰ হ'ল। হিন্দু – মুছলমান এই পৰিচয়বোৰ তেতিয়া আৰু কেৱল পৰিচয় হৈ নাথাকিল, শত্ৰুতাৰ কাৰণ হৈ উঠিল। আৰম্ভ হ'ল কাজিয়া, মাৰপিট। দেশ স্বাধীন হোৱাৰ পাছতে কিন্তু ভাষাৰ পৰিচয় ডাঙৰ হৈ উঠিল। তেতিয়া দেশৰ বহু ঠাইত মানুহে দাবী কৰিব আৰম্ভ কৰিলে যে ভাষাৰ ভিত্তিত ৰাজ্য তৈয়াৰ কৰা হওক। অৰ্থাৎ য'ত যি ভাষা কোৱা মানুহ বেছি, তেওঁলোকক লৈ সেই ভাষাৰ এখন ৰাজ্য গঠন কৰা হওক। দেশ বিভাজনৰ আগত বৃটিছ শাসনকালত কিন্তু এনেকৈ ভাষাৰ ভিত্তিত ৰাজ্য ভাগ কৰা হোৱা নাছিল। সেই সময়ৰ কথা অলপ কৈ লওঁ।

বৃটিছ আমোলত শাসনৰ সুবিধাৰ বাবে বহুবোৰ প্ৰদেশ আৰু জিলাত ভাগ কৰা হৈছিল ভাৰত উপনিৱেশ। প্ৰদেশ কেনেকৈ ভাগ কৰা হ'ব, কোন জিলা কোন প্ৰদেশত থাকিব, এইবোৰ বৃটিছ চৰকাৰে নিজৰ প্ৰয়োজন অনুসৰি বহুবাৰ সলনি কৰিছিল। তেওঁলোকে হিচাপ কৰিছিল এখন প্ৰদেশ কিমান ডাঙৰ হ'লে সেই ঠাইৰ জমিদাৰসকলৰ পৰা সহজতে ৰাজহ আদায় কৰিব পৰা যাব বা কোন জিলা কোন প্ৰদেশত থাকিলে ব্যৱসায় বাণিজ্য কৰি

লাভ কৰিবলৈ বেছি সুবিধা হ'ব। এইবোৰ হিচাপ কৰি তেওঁলোকে প্ৰদেশ বা জিলাৰ সীমা নিৰ্ধাৰণ কৰিছিল। তাৰ পাছত যেনেকৈ যেনেকৈ সলনি হৈছিল তেওঁলোকৰ সেই হিচাপ, তেনেকৈয়ে সলনি হৈছিল সীমা। এক ভাষাৰ মানুহৰ বাবে এক ৰাজ্য – এইধৰণৰ কোনো নীতি নাছিল বৃটিছ শাসকসকলৰ।

সকলো প্ৰদেশতে আছিল নানান ভাষাৰ মানুহ। কিন্তু ক্ষমতাৰ ভাগ বটোৱাৰা একেবাৰে সমান সমান নাছিল– ডাঙৰ প্ৰদেশবোৰত কোনো ভাষাৰ মানুহৰ বেছি জোৰ খাটিছিল, আনসকলৰ অলপ কম। সেয়ে একেলগে মিলিজুলি একেখন প্ৰদেশত থাকিলেও ডাঙৰ-সৰু, শক্তিশালী-দুৰ্বল আদি নানা ধৰণৰ পাৰ্থক্য মানুহৰ মাজত আছিল। উদাহৰণস্বৰূপে বৃটিছ ৰাজত্বৰ প্ৰথমছোৱাত, ১৭৬৫ চনৰ পৰা বাংলা বিহাৰ, ওড়িশাক লৈ গঠন কৰা হৈছিল বিশাল বংগ প্ৰদেশ বা বেংগল প্ৰেচিডেন্সী। পিছলৈ ১৮২৬ চনত যেতিয়া ইংৰাজ শক্তিয়ে অসম জয় কৰি অসমকো সুমুৱাই ল'লে একেখন প্ৰদেশতে। ভাবি চোৱাচোন, কিমান ভাষাৰ মানুহ আছিল বাৰু এই একেখন প্ৰদেশত। বাঙালীৰ বাহিৰেও ওড়িয়া, অসমীয়াৰ দৰে আৰু অনেক ভাষাৰ বহু মানুহ আছিল একেখন ৰাজ্যত। তদুপৰি বাংলা ভাষাও জানো একেধৰণৰ? বাংলা ভাষাও বহু প্ৰকাৰৰ। সেয়েহে ভাষাৰ বিবাদৰ ইতিহাস পঢ়িব গ'লে দুয়োটা দিশেই ভালকৈ বুজি ল'ব লাগিব। এফালে নানা ভাষাৰ মাজত কাজিয়া – কোন ভাষাই অলপ বেছি ঠাই ল'লে, কোন ভাষা পিছ পৰি ৰ'ল। আনফালে এটা ভাষাৰ মাজতো কাজিয়া। বাংলা ভাষাই বাকীবোৰক পিছ পেলাই আগবাঢ়ি গ'ল বুলি যদি কওঁ তেনেহ'লে বুজি চাব লাগিব

সেই বাংলা কোন ঠাইৰ বাংলা, কাৰ বাংলা। শান্তিপুৰৰ বাঙালীয়ে কৈছিল একধৰণৰ বাংলা, চট্টগ্ৰামৰ বাংলাৰ সৈতে তাৰ পাৰ্থক্য বহুত। চট্টগ্ৰামৰ বাংলাৰ এক সুৰ, কলকাতাৰ বাংলাৰ সুৰ একেবাৰে বেলেগ ধৰণৰ। আৰম্ভণিৰ পৰাই দেখা গ'ল যে বংগ প্ৰদেশত কলকাতা আৰু তাৰ ওচৰ পাজৰৰ বাঙালীসকল আন ঠাইৰ বাঙালীসকলতকৈ আৰু আন ভাষাৰ মানুহতকৈ ক্ষমতাত আগবাঢ়ি গ'ল। আচলতে বাংলা প্ৰদেশৰ ৰাজধানী আছিল কলকাতা চহৰ। তাত প্ৰথমৰ পৰাই ইংৰাজসকলৰ শাসন আছিল খুব সুদৃঢ়। কলকাতা আৰু তাৰ ওচৰ পাজৰৰ অঞ্চলত দুৰ্গ, কল কাৰখানা, আদালত আদি স্থাপন হৈছিল। প্ৰথমৰ ফালে স্কুল, কলেজ, বিশ্ববিদ্যালয়, ছপাশাল স্থাপন হৈছিল ইয়াতেই। এই অঞ্চলৰ বাঙালীসকলে ইংৰাজী ভাষা শিকি ইংৰাজ চৰকাৰৰ অফিচ কাছাৰীৰ কেৰাণীৰ কামত দক্ষ হৈ উঠিছিল। সেয়ে কলকাতাৰ বাঙালীয়ে বাকীসকলৰ আগতেই বংগ প্ৰদেশৰ নানান ধৰণৰ চাকৰি বাকৰিত সুযোগ সুবিধা লাভ কৰিলে। ফলত অন্য অঞ্চলৰ বাঙালীসকলক আৰু অন্য ভাষাৰ মানুহক পিছপেলাই ক্ষমতাৰ দিশত আগবাঢ়ি থাকিল তেওঁলোক। কেৱল চাকৰিত বা উপাৰ্জনত কলকাতাৰ বাঙালী আগবাঢ়ি থাকিল সেয়া নহয়, ১৯ শতিকাজুৰি কলিকতা হৈ উঠিল বাংলা ভাষা, বাংলা সংস্কৃতিৰ কেন্দ্ৰ।

ইংৰাজসকল এই দেশলৈ আহিছিল ব্যৱসায় আৰু ৰাজত্ব কৰিবলৈ। আনফালে একেসময়তে খ্ৰীষ্টান ধৰ্মৰ প্ৰচাৰ কৰিবলৈ পশ্চিমৰ পৰা আহিছিল বহু চাহাব-মেম, যিসকলক মিছনাৰী বুলি কোৱা হৈছিল। তেওঁলোকে একো একোটা ঠাইত গৈ সেই ঠাইৰ মানুহৰ কথা কোৱা

ভাষাত নিজৰ ধৰ্মৰ কথা বিয়পাই দিব বিচাৰিছিল। তেওঁলোকে ভাবিছিল যে নিজৰ ভাষাত ধৰ্মৰ কথা শুনিলে বেছিভাগ মানুহে সহজতে বুজিব পাৰিব আৰু হয়তো খ্ৰীষ্টান ধৰ্মত দীক্ষা ল'বলৈ ৰাজী হ'ব। এনেদৰেই মিছনাৰীসকলৰ দূৰ দেশলৈ অহাৰ উদ্দেশ্য সফল হ'ব বুলি ভাবি লৈছিল। সেয়ে বহু অঞ্চলত মিছনাৰীসকলৰ উদ্যোগত প্ৰথম ছপাশাল খোলা হৈছিল, য'ত স্থানীয় ভাষাৰ ব্যাকৰণৰ কিতাপ ছপা হৈছিল, বাইবেলো ছপা হৈছিল। ১৮০০ চনত কলিকতাৰ পৰা অলপ দূৰত শ্ৰীৰামপুৰত মিছনাৰীসকলে ছপাশাল খুলিছিল। তাত বাংলা ভাষাত বহুত কিতাপ ছপা হ'বলৈ ধৰিলে। কলকাতা অঞ্চলৰ শিক্ষিত বাঙালীসকলেও ছপাশালৰ প্ৰযুক্তি শিকি বাংলা ভাষাত বহু কিতাপ ছপাবলৈ আৰম্ভ কৰিলে। বানান, ব্যাকৰণৰ নিয়ম মানি বাংলা ভাষাক আৰু সুদৃঢ় কৰি তুলিব বিচাৰিলে তেওঁলোকে। বাংলাত লিখা, বাংলাত ছপা কৰা আৰু বাংলা ভাষাৰ কিতাপ কিনা বেচা কৰাৰ বজাৰ – এই সকলোবোৰ কলকাতাৰ বাঙালীৰ হাতত আহি পৰিল। ইমান ভাষাৰ প্ৰদেশত অসমীয়া আৰু উড়িয়াতকৈ বাংলা ভাষাৰ ক্ষমতা হ'লগৈ বেছি। সেই বুলিয়েই সকলো ঠাইৰ সকলো জিলাৰ বাংলাই জানো একেধৰণৰ ক্ষমতা পালে? সেয়া নহয় কিন্তু। কেৱল কলকাতা আৰু তাৰ ওচৰ পাজৰৰ শিক্ষিত, চহৰীয়া বাঙালীসকলৰ হাতত ধৰি যি বাংলাৰ চৰ্চা আৰম্ভ হৈছিল, সেইটোৱে লাহে লাহে সকলোতকৈ উচ্চমানৰ বাংলা বুলি স্বীকৃতি লাভ কৰিলে। স্কুল কলেজৰ লিখা পঢ়াত এই বাংলাই স্বীকৃতি পালে। সাহিত্য চৰ্চাতো এই বাংলা ৰমৰমীয়া হ'ল। পুৰুলিয়া, বাঁকুড়াৰ যি বাংলা, অথবা নোয়াখালি, চট্টগ্ৰাম, চিলেটৰ

যি বাংলা সেইবোৰ কলকাতাৰ বাংলাৰ প্ৰতাপৰ ওচৰত সেমেকা হৈ পৰিল। একধৰণৰ বাংলা যেতিয়া ক্ষমতাৰ ফালৰ পৰা ডাঙৰ হৈ পৰিল, তেতিয়া বাকীবোৰ বাংলা তাৰ ওচৰত ম্লান হৈ পৰিল। কলকাতাৰ বাঙালীসকলৰো বিৰাট অহংকাৰ হ'ল। ছপাশাল, কিতাপৰ বেচা কিনাৰ বজাৰ, প্ৰেচিডেন্সী কলেজ, কলিকতা বিশ্ববিদ্যালয় সকলোবোৰ কলকাতাক কেন্দ্ৰ কৰিয়েই তৈয়াৰ হৈছিল। বংগ প্ৰদেশৰ দূৰৰ সকলো জিলাৰ পৰা বহুতেই পঢ়া শুনা কৰিবলৈ আহিছিল কলিকতালৈ। স্বাধীনতা সংগ্ৰামী বিপিন চন্দ্ৰ পালে বহু দূৰৈৰ চিলেট জিলাৰ পৰা পঢ়িবলৈ আহিছিল কলকাতাৰ প্ৰেচিডেন্সী কলেজলৈ। কলকাতালৈ আহিয়েই তেওঁ কিন্তু ভীষণ বিপাঙত পৰে। চহৰত সকলোৱে নিমজ চহৰীয়া বাংলা কথা কয় আৰু তেওঁ কথা কয় চিলেটী বাংলাৰ সুৰত। তেনেকৈ চট্টগ্ৰাম, বৰিশাল, যশোৰ-খুলনাৰ পৰা অহা ছাত্ৰসকলৰ কোনেও কলকাতাৰ সুৰত বাংলা কোৱা নাছিল। ইফালে কলকাতাৰ ছাত্ৰসকলে খুব ঠাট্টা মস্কৰা কৰিছিল আনবিলাকে কোৱা বাংলাক লৈ। বিপিন পালে তেওঁৰ জীৱনীত লিখিছে, দূৰ দূৰণিৰ পৰা অহা ছাত্ৰসকলে কলিকতা পায়েই প্ৰাণপনে চেষ্টা কৰিছিল সেই ঠাইৰ বাংলা আয়ত্ত কৰিবলৈ, নহ'লে কেনেকৈ মিলামিছা কৰিব চহৰৰ বন্ধুবিলাকৰ লগত। সেইবাবেই কৈছিলো, এটা ভাষাৰ মাজতো থাকে নানান সংঘৰ্ষৰ ইতিহাস। যিসকলৰ ভাষাই স্বীকৃতি নাপায়, তেওঁলোক নানাভাবে পিছ পৰি যায়। আৰু পিছ পৰি থাকিবলৈনো কোনে বিচাৰে!

বৃটিছৰ সময়ত ভাষা অনুযায়ী ৰাজ্য বিভাজন হোৱা নাছিল ঠিকেই, কিন্তু অনেক ভাষাৰ মাজত কোন ভাষা আগবাঢ়ি আছে, কোন পিছপৰি আছে, কাৰ শক্তি আৰু ক্ষমতা বেছি,

কাৰ কম – এই কাজিয়া বৃটিছসকলৰ ৰাজত্বৰ আৰম্ভণিৰ পৰাই চলি আহিছিল। তাৰ ওপৰত আকৌ আৰম্ভ হৈছিল সংখ্যাৰ হিচাপ। ইমান ডাঙৰ ভাৰত উপনিৱেশৰ ইমান ধৰণৰ মানুহক শাসন কৰাৰ বাবে তেওঁলোক সম্পৰ্কে সকলোবোৰ জনা দৰকাৰ – এই কথাটো মনে প্ৰাণে বিশ্বাস কৰিছিল বৃটিছ শাসকে। সেয়ে শাসনাধীন কোন অঞ্চলত কিমান মানুহ থাকে, তেওঁলোকে কি খায়, কি পিন্ধে, কোন দেৱতাক পূজা কৰে, কোন ভাষাত কথা পাতে, এইবোৰ খুটি নাটিৰ খবৰ লৈ চৰকাৰে তাৰ পৰা ডাঙৰ ডাঙৰ ৰিপোৰ্ট আৰু দীঘল দীঘল তালিকা তৈয়াৰ কৰিছিল। এই তালিকাক তেওঁলোকে চেঞ্চাছ বুলি কৈছিল। বৃটিছ ভাৰতত এইধৰণৰ জনগণনা বা চেঞ্চাছ তৈয়াৰ কৰাৰ কাম আৰম্ভ হয় ১৮৭২ চনত, প্ৰথম ৰিপোৰ্ট প্ৰকাশ পায় ১৮৮১ চনত। চেঞ্চাছ চালেই তাত বিচাৰি পোৱা গৈছিল এখন প্ৰদেশত কোন ভাষাৰ মানুহৰ সংখ্যা বেছি, কোন ভাষাৰ মানুহ সংখ্যা কম। সমান্তৰালভাৱে মিলাই চাব পৰা গৈছিল, কোন ভাষাৰ মানুহৰ কি ধৰ্ম। যেনেকৈ ধৰা, বংগ প্ৰদেশৰ বাবে যি তালিকা প্ৰস্তুত হৈছিল, তাত লিখা থাকিছিল কিমানজনে বাংলাত কথা পাতে আৰু কিমান জনে অন্যান্য ভাষাত কথা পাতে। আকৌ যিসকলে বাংলা ভাষাত কথা পাতে তেওঁলোকৰ মাজৰ কিমানজন হিন্দু, কিমানজন মুছলমান, সেয়াও হিচাপ কৰিব পৰা গৈছিল তালিকাৰ পৰাই। ইমানকাল একেলগে ওচৰে পাজৰে থকা মানুহবোৰেও নিজকে সংখ্যাৰ বিচাৰত চাবলৈ আৰম্ভ কৰিছিল। ধৰ্ম পৰিচয়, ভাষাৰ পৰিচয়ক কেন্দ্ৰ কৰি যেতিয়াই কাজিয়া লাগিছে, কোন সংখ্যাত বেছি, কোন কম, সেই প্ৰশ্ন লাহে লাহে জৰুৰী হৈ উঠিছিল।

অলপ আগতে কৈছিলো, নানা লাভ লোকচানৰ অংক হিচাপ কৰিয়েই বৃটিছসকলে প্ৰদেশ ভাগ কৰিছিল অথবা জোৰা লগাইছিল। এনেকৈ ভাঙা বা জোৰা দিয়া, নতুন সীমা টনাৰ খেলত বহুসময়ত একে ভাষাৰ মানুহ দুই প্ৰদেশত ভাগ হৈ গৈছিল। আকৌ বহুসময়ত এটা ভাষাৰ ওপৰত জাপি দিয়া হৈছিল অন্য ভাষা। কিন্তু সাধাৰণ মানুহে মুঠেও এয়া সহজে মানি লোৱা নাছিল। নানা সময়ত নানান প্ৰদেশত নিজৰ ভাষাৰ বাবে সংঘৰ্ষ কৰিছে বহু মানুহে। স্বাধীনতাৰ পাছতো এই দেশৰ নানা ৰাজ্যত চলিছে ভাষাৰ বিবাদ। তেনেকুৱা সকলো বিবাদৰ কথা ইয়াতেই কৈ সামৰিব নোৱাৰিম। এই কিতাপত ইমান ঠায়েই নাই। সেয়ে পূৰ্ব ভাৰতৰ দুটা ভাষা – বাংলা আৰু অসমীয়া – ইয়াৰ ইতিহাস অলপ উভতি চাও আহা। ইয়াৰ বাংলা ভাষাৰ ৰাজ্য পশ্চিমবংগ আৰু তাৰ প্ৰতিবেশী বাংলাদেশৰ ভাষাৰ সংঘৰ্ষৰ কাহিনীৰে আৰম্ভ কৰা যাওক। আৰু বংগৰ গাতেই চোন লাগি আছে অসম, দুই ঠাইৰ ইতিহাসক পৃথক কৰা মস্কিল। সেয়ে অসমৰ ভাষাৰ বিবাদৰ কথাও কম দিয়া ।

৩। বাংলা – বাঙালী – বাংলাদেশ

(ক) বংগ ভংগ আৰু তাৰ বিৰুদ্ধে ঐক্যবদ্ধ হোৱা

১৯০৫ চন। ভাৰতত তেতিয়া বৃটিছসকলৰ ৰাজত্ব। কৈছিলোৱেই ন, আৰম্ভণিৰ পৰাই বিহাৰ, ওড়িশা, অসম – এই সমস্ত অঞ্চল বিৰাট ডাঙৰ বংগ প্ৰদেশৰ মাজতেই আছিল। কিন্তু অসম পাৰ হৈ উত্তৰ পূৱৰ পাহাৰবোৰত ৰাজত্ব বিস্তাৰত কোনোপধ্যেই সুবিধা কৰিব পৰা নাছিল বৃটিছ শাসকসকলে। সেয়ে শেষ পৰ্যন্ত ১৮৭৪ ত গঠন কৰা হ'ল পৃথক অসম প্ৰদেশ। সিদ্ধান্ত লোৱা হ'ল যে বংগৰ সমতলৰ অঞ্চলত আগৰ দৰেই শাসন কৰা হ'ব, কিন্তু অসম আৰু তাৰ ওচৰে পাজৰে থকা পাহাৰক অনা হ'ব আৰু অলপ কঠোৰ শাসনৰ তললৈ। এইধৰণে লাভ লোকচানৰ অংক কৰি সেই সময়ত আৰু বহু প্ৰদেশক লৈ ভঙা আৰু জোৰা লগোৱাৰ পৰীক্ষা নিৰীক্ষা চলি আছিল। ১৮৭৪ ত অসম পৃথক প্ৰদেশ হ'ল ঠিকেই, তথাপিও আকৃতিত বংগ প্ৰদেশ বেচ ডাঙৰেই হৈ ৰ'ল – আজিৰ প্ৰায় সমগ্ৰ পশ্চিমবংগ, ওড়িশা, বিহাৰ আৰু বাংলাদেশৰ বেছিভাগ তেতিয়াও বংগ প্ৰদেশ। ১৯০৫ ত বংগ প্ৰদেশত এটা ডাঙৰ ধৰণৰ পৰিৱৰ্তন আনিলে ইংৰাজ চৰকাৰে। শাসকসকলে ক'লে, ইমান ডাঙৰ প্ৰদেশ চম্ভালোতে তেওঁলোকৰ আলাই আথানি হৈছে – সেয়ে বংগক দুটা ভাগত ভাগ কৰি শাসনৰ কাম অলপ সহজ কৰাটো দৰকাৰী। সেই অনুসৰি বংগৰ পূব দিশক পৃথক কৰি অসমৰ লগত লগ লগাই তৈয়াৰ কৰা হ'ল 'পূৰ্ব বংগ আৰু অসম' প্ৰদেশ। পশ্চিমদিশৰ অংশটো ৰ'ল বিহাৰ, ওড়িশাৰ সৈতে লগ লাগি। কলিকতা থাকিল এই পশ্চিম অংশত।

আগতেই কৈছো, কলিকতাৰ শিক্ষিত, ইংৰাজী জনা, চহৰৰ বাঙালীৰ দ্বাৰা বাংলা ভাষাৰ সাহিত্য – সংস্কৃতি চৰ্চাৰ তেতিয়া খুব জাকজমক অৱস্থা। এইসকলৰ বেছিভাগেই আছিল হিন্দু বাঙালী। কেৱল কলিকতা নহয়, বংগ প্ৰদেশৰ পশ্চিম দিশটোত চিৰকালেই হিন্দু বাঙালীসকল সংখ্যাত বেছি আছিল। বংগৰ পূব দিশত আকৌ মুছলমান বাঙালীৰ সংখ্যা অধিক। যেতিয়া বৃটিছ চৰকাৰে বংগক দুভাগ কৰিব বুলি সিদ্ধান্ত ল'লে, তেতিয়া ঢাকাত পূৰ্ব বংগ আৰু অসম প্ৰদেশৰ ৰাজধানী স্থাপন কৰাৰ কথাও তেওঁলোকে ভাবিলে। কলিকতাৰ দৰে জাক জমকপূৰ্ণ চহৰ হৈ উঠিব ঢাকা, এনে কথাও চৰকাৰে ক'লে। কিন্তু এই বিভাজনৰ ফলত এনে লাগিল যে ইংৰাজ শাসকসকলে পূৰ্ববংগৰ মুছলমান বাঙালী আৰু পশ্চিমবংগৰ হিন্দু বাঙালীসকলক পৃথক কৰাৰ চেষ্টা কৰিছে। হঠাৎ তেওঁলোকৰ প্ৰদেশক ভাগ কৰি দিয়াত বংগৰ বহু মানুহ ভীষণ অসন্তুষ্ট হ'ল। তেওঁলোকে ক'লে আচলতে দুয়োখন বংগতে সকলোৱে একে ভাষাৰ মানুহ। তেওঁলোক সকলোৱে একেখন প্ৰদেশতে থাকিব, কোনোপধ্যেই তেওঁলোকক পৃথক কৰা নচলিব। ইতিমধ্যে ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছ নামৰ এটা ৰাজনৈতিক দল গঠন হৈছিল। বৃটিছ সকলৰ অন্যায় শাসনৰ বিৰুদ্ধে তেওঁলোকে প্ৰতিবাদ কৰা আৰম্ভ কৰিছিল উনবিংশ শতিকাৰ শেষৰ পৰাই। কংগ্ৰেছী নেতাসকলৰ বৃটিছ বিৰোধী আন্দোলন লাহে লাহে বংগত বেচ জোৰদাৰ হৈছিল। বংগ বিভাজনৰ কথা যেতিয়াই উঠিল, কলিকতাৰ কংগ্ৰেছ নেতাসকল আৰু শিক্ষা – সহিত্য জগতৰ ডাঙৰ ডাঙৰ সকলো মানুহ একত্ৰিত হ'ল। ভাষাৰ পৰিচয়ক কেন্দ্ৰ কৰি তেওঁলোকে সমগ্ৰ বংগৰ মানুহক একত্ৰিত কৰাৰ চেষ্টা কৰিলে।

প্ৰথমতে চহী সংগ্ৰহ কৰি, স্মাৰক পত্ৰ দি প্ৰতিবাদ আৰম্ভ হ'ল। তাৰ পাছত বৃটিছ সামগ্ৰীৰ বৰ্জনো আৰম্ভ হ'ল। নিজেই স্বদেশী সামগ্ৰী প্ৰস্তুত কৰি বংগ ভংগ বাতিল কৰিবলৈ বৃটিছক বাধ্য কৰোৱাৰ সিদ্ধান্ত লোৱা হ'ল। বৃটিছসকলৰ শক্তিৰ মূল উৎসই আছিল ব্যৱসায়।ইফালে, বিদেশী সামগ্ৰী বয়কট আৰু স্বদেশী সামগ্ৰী উৎপাদনৰ মূল উদ্দেশ্য এয়াই আছিল যে দেশৰ মানুহে ইংলেণ্ডত তৈয়াৰ হোৱা বিদেশী বস্তুৰ সলনি স্বদেশী বস্তু কিনিবলৈ আৰম্ভ কৰিলে বৃটিছসকলৰ সেই ব্যৱসায়ৰ ক্ষতি হ'ব আৰু তেওঁলোক বিপদত পৰিব। ১৯০৫ চনৰ জুলাই মাহত বংগ ভংগৰ কথা ঘোষণা কৰিলে চৰকাৰে। ঠিক কৰা হ'ল ১৬ অক্টোবৰত ভাগ হ'ব বংগ প্ৰদেশ। সেইদিনা আছিল ৰাখী উৎসৱ। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে সকলোকে আহ্বান জনাই ক'লে – হিন্দু –মুছলমানে ইজনে সিজনক ৰাখী পিন্ধাই পালন কৰক সেই দিনটো। বংগৰ চাৰিওফালে ৰাখী বন্ধন পালন কৰিলে দুই ধৰ্মৰ কিন্তু একেই ভাষাৰ মানুহে। ভাষাই যেন ৰাখীৰ সুতাৰ দৰে বান্ধি ৰাখিব পাৰিব বংগৰ সকলো মানুহক। বংগৰ মানুহৰ বাবে ৰবীন্দ্ৰনাথে গান লিখিলে, 'আমাৰ সোণাৰ বাংলা, আমি তোমায় ভালোবাসি'।

কিন্তু সঁচাকৈয়ে সমগ্ৰ প্ৰদেশৰ সকলো বাঙালীয়ে মিলিজুলি একেলগে এই বংগ ভংগ বিৰোধী আন্দোলনত সমানভাৱে চামিল হৈছিলনে? নাই,তেনেকুৱা হোৱা নাছিল। সেই যে ক'লো, কলিকতাক কেন্দ্ৰ কৰি যি বাংলা ভাষা, বাংলা সংস্কৃতি বাঢ়ি উঠিছিল, তাৰ সন্মুখৰ শাৰীত আছিল হিন্দু, শিক্ষিত বাঙালী। বংগৰ মানুহক একলগ কৰি বংগ বিভাজন ৰোধ কৰিবলৈ তেওঁলোকেই আগবাঢ়ি আহিছিল কিন্তু ভাষাৰ পৰিচয় এক হ'লেও সকলো বাংলাভাষী

মানুহ সমান নাছিল। দৰিদ্ৰ বাঙালী, ধনী বাঙালীৰ মাজত পাৰ্থক্য আছিলেই। দেখা গ'ল যে হিন্দু বাঙালী আৰু মুছলমান বাঙালীসকলো ক্ষমতাৰ ফালৰ পৰা সমাজত একে স্থানত নাই। কিন্তু কিয়, সেই কথাই মুকলিকৈ ক'ব লৈছো।

সহজকৈ ভাবিলে আমাৰ মনলৈ কি আহে বাৰু? অত্যাচাৰী ৰজা, আৰু তাৰ বিৰুদ্ধে একত্ৰিত হৈছে প্ৰজাসকল। শক্তিশালীভাৱে একত্ৰিত হৈ যুদ্ধ কৰিব পাৰিলেই তেওঁলোকে হৰুৱাব পাৰিব ৰজাক। কিন্তু প্ৰজাসকল সকলোৱে সমান নহয়। তেওঁলোকৰ নিজৰ মাজতো নানান ভেদাভেদ আছে। ধনী জমিদাৰ আৰু জমিদাৰৰ মাটিত ফচল উৎপাদন কৰা দৰিদ্ৰ কৃষক, এই দুয়োজনই বৃটিছৰ প্ৰজা। তেওঁলোকে একেই ভাষাত কথাও পাতে। কিন্তু তেওঁলোক সমান জানো? সমাজত তেওঁলোকৰ ক্ষমতাৰ বিৰাট পাৰ্থক্য। সেয়ে এটা পৰিচয়ৰ জোৰত দল গঠন কৰা হয়, একত্ৰিত হোৱা যায়, তাত বহুত সময়ত একধৰণৰ মানুহ বেছিকৈ চামিল হয়, বাকীসকল বাদ পৰে। বংগ বিভাজনৰ প্ৰতিবাদত স্বদেশী আন্দোলন আৰম্ভ হ'ল। আন্দোলনৰ নেতাসকল আছিল কলিকতাৰ সেইসকল বাঙালী, যাৰ শিক্ষা আৰু টকা পইচাৰ জোৰ দুয়োটাই বেছি। তেওঁলোকে ক'লে যে, বিলাতী বস্তু বৰ্জন কৰা হওক। ইফালে দৰিদ্ৰ কৃষকসকল, ক্ষুদ্ৰ ব্যৱসায়ীসকল পৰিল ভীষণ অসুবিধাত। বহু বিলাতী বস্তু আছিল সস্তা। তাৰ সলনি বেছি দামত স্বদেশী বস্তু কিনা বেচা কৰিবলৈ বাধ্য হ'ল তেওঁলোক। কেনেকৈ বংগৰ দৰিদ্ৰ মানুহে অংশগ্ৰহণ কৰিব পাৰে এই সংগ্ৰামত, য'ত তেওঁলোকৰ ক্ষতিৰ পৰিমানেই বেছি? সেয়ে তেওঁলোকে এনেকুৱা অসমান জোঁটত চামিল হ'ব নোৱাৰিলে।

বংগ ভাগ হোৱাত কলিকতা আৰু বংগৰ একমাত্ৰ ৰাজধানী হৈ নাথাকিল। ঢাকাত তৈয়াৰ কৰা হ'ল নতুন ঘৰ বাৰী, ইংৰাজসকলৰ অহা যোৱা বাঢ়িল সেই চহৰত। মোগল যুগত এটা সময়ত ঢাকা খুব জাকজমক আছিল, কিন্তু তাৰ পাছত নানান কাৰণত ম্লান পৰি গ'ল। বংগ বিভাজনৰ পাছত আকৌ এনে লাগিল, ঢাকাৰ সুদিন উভতিব। তেতিয়া পূৰ্ববংগৰ বাঙালীসকলৰ বহুতেই ভাবিলে যে পূব দিশটো পৃথক হৈ ঢাকা যদি বংগৰ আৰু এখন ৰাজধানী হয়, তেনেহ'লেনো কি বেয়া? আগতেও কৈছো, পূৰ্ব বংগত মুছলমান বাঙালী আছিল বেছি। তেওঁলোকৰ বহুতেই ঢাকাত নতুন ৰাজধানী হোৱাত অলপ আনন্দিতই হ'ল। তেওঁলোকে ভাবিলে ইমানদিন বহুত সুযোগ সুবিধাইচোন কলিকতাৰ ওচৰ পাজৰৰ হিন্দু বাঙালীসকলে বেছিকৈ পাইছে, এইবাৰ আমিও সেইবোৰ পাম। তেওঁলোকেও লাহে লাহে আঁতৰি আহিল বংগ ভংগ আন্দোলনৰ পৰা। ভাষাৰ পৰিচয়ক লৈ আৰম্ভ হৈছিল সংগ্ৰাম কিন্তু ধনী – দুখীয়াৰ পাৰ্থক্য, আৰু ধৰ্মৰ পাৰ্থক্য, দুয়োটাই আহি প্ৰৱেশ কৰিছিল সেই সংগ্ৰামত।

বাংলা বিভাজনৰ পক্ষে বিপক্ষে নানান মত থাকিলেও, প্ৰতিবাদৰ জোৰটোৱেই কিন্তু বেছি আছিল। পিছ হুহুকিবলৈ বাধ্য হ'ল বৃটিছ চৰকাৰ। ১৯১১ চনত বংগক আকৌ এক কৰা হ'ল। কৈছিলো নহয়, সময়ৰ লগে লগে কোন পৰিচয় কেতিয়া ডাঙৰ হ'ব, সেই হিচাপ সলনি হয়। আৰু চাৰি দশকৰ ভিতৰতে দেখা গ'ল যে ভাষা নহয়, বৰং ধৰ্মৰ দন্দহে খুব ডাঙৰ ৰূপত দেখা দিছে। ১৯৪৭ চনত ইয়েই ধৰ্মৰ ভিত্তিত দেশ বিভাজন মাতি আনিলে। সৃষ্টি হ'ল দুখন দেশ – ভাৰত আৰু পাকিস্তান। একে সময়তে ভাগ হ'ল বংগও। পূব দিশটো হ'ল পাকিস্তানৰ

অংশ, নাম হ'ল পূৱ পাকিস্তান। আৰু পশ্চিমবংগ ৰ'ল ভাৰতত। পূৱ পাকিস্তানত সংখ্যাত মুছলমান বেছি আৰু পশ্চিমবংগত বেছি হিন্দু। দুয়োফালেই ভাষা কিন্তু বাংলা। ১৯০৫ চনক ক'ব পাৰি প্ৰথম বংগ ভংগ, আৰু ১৯৪৭ ত হ'ল দ্বিতীয় বংগ ভংগ। পিছে ১৯০৫ ৰ সৈতে খুউব ডাঙৰ পাৰ্থক্য হ'ল এটা। প্ৰথমবাৰ বৃটিছসকলে বংগ ভংগ কৰি দুখন বেলেগ প্ৰদেশ বনাইছিল। কিন্তু ১৯৪৭ ত দুই বংগ গৈ পৰিল দুখন পৃথক দেশত।

(খ) বংগৰ বাবে পৃথক দেশ

ধৰ্মৰ নামত দেশখন ভাগ হ'ল। কিন্তু তাৰ পাছতেই আকৌ আৰম্ভ হ'ল ভাষাৰ পৰিচয়ক লৈ কাজিয়া। এইবাৰ কাজিয়াৰ কেন্দ্ৰ ঢাকা – পূৰ্ব বংগৰ ৰাজধানী। পাকিস্তানৰ নতুন চৰকাৰৰ ঘাটি আছিল পশ্চিম পাকিস্তান, যি ভাৰতৰ উত্তৰ পশ্চিম দিশৰ পৰা ভাগ হৈ সৃষ্টি হৈছিল। পাকিস্তানত যিসকল চৰকাৰ চলোৱাৰ দায়িত্বত আছিল, তেওঁলোকৰ মাজত বাংলাভাষী আছিল কম। সেই দেশৰ ভাষাক লৈ নিয়ম নীতি তৈয়াৰ কৰাৰ সময়ত বাংলাৰ কথা ভবা নহ'ল। দেশ বিভাজনৰ আগৰ পৰাই ভাৰতৰ উত্তৰ আৰু উত্তৰ পশ্চিমৰ মানুহৰ মাজত উৰ্দু ভাষাৰ প্ৰচলন আছিল। পশ্চিম পাকিস্তান চৰকাৰে ঠিক কৰিলে যে নতুন দেশৰ ৰাষ্ট্ৰীয় ভাষা হ'ব উৰ্দু। ইফালে, পূৱ পাকিস্তানৰ মানুহৰ ভাষা হ'ল বাংলা। তেওঁলোকোতো এই দেশৰেই মানুহ। কোনোদিন তেওঁলোকে উৰ্দু পঢ়া নাছিল বা সেই ভাষাত কথা কোৱা নাছিল। সেয়েহে তেওঁলোকে এনে নিৰ্দেশ মানি ল'ব নিবিচাৰিলে। বাংলা ভাষাৰ সৈতে তেওঁলোকৰ প্ৰাণৰ সম্পৰ্ক। তাৰ বাহিৰেও ৰাষ্ট্ৰভাষা উৰ্দু হ'লে চৰকাৰী কাম হ'ব সেই ভাষাত। বাঙালীসকলৰ আশংকা হ'ল, চৰকাৰী চাকৰিত যিসকলে উৰ্দু জানিব তেওঁলোকেই সুযোগ পাব।

পূব পাকিস্তানত দাবী উত্থাপণ হ'ল যে উৰ্দু আৰু ইংৰাজীৰ লগতে বাংলাৰ প্ৰচলনো অব্যাহত ৰখা হওক। কিন্তু পশ্চিম পাকিস্তানৰ পৰা যিসকলে চৰকাৰ চলাইছিল, তেওঁলোক নিজৰ সিদ্ধান্তত অটল আছিল। তেওঁলোকে দেশৰ টকা পইচা আৰু ডাক টিকটৰ পৰা আঁতৰাই পেলাব ধৰিলে বাংলা আখৰ। স্কুল কলেজৰ পঢ়া শুনাও যাতে উৰ্দুতে হয়, তাৰ ব্যৱস্থা কৰিবলৈ

ধৰিলে। ১৯৫২ চনৰ জানুৱাৰী মাহত পাকিস্তানৰ নতুন প্ৰধানমন্ত্ৰী হাজী নাজুমুদ্দিন ৰাজধানী কৰাচীৰ পৰা আহিল ঢাকালৈ। তাত পল্টন ময়দানত বিৰাট জনসভাত তেওঁ উচ্চকণ্ঠে সকলোকে জনাই দিলে যে উৰ্দুই হৈ থাকিব পাকিস্তানৰ ৰাষ্ট্ৰভাষা আৰু এই সিদ্ধান্তৰ কোনো ইফাল সিফাল নহ'ব। প্ৰতিবাদৰ ধুমুহা উঠিল চাৰিওফালে। ছাত্ৰ, শিক্ষক আৰু সমাজৰ সকলো স্তৰৰ মানুহ প্ৰতিবাদত ঢাকাৰ ৰাস্তাত নামিল। চৰকাৰে মিটিঙ, মিছিল, সমাৱেশ আদিক কঠোৰভাবে বে আইনী ঘোষণা কৰিলে।

২১ ফেব্ৰুৱাৰীৰ ৰাতিপুৱা ঢাকা বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলে বিৰাট মিছিলৰ আয়োজন কৰিলে। ইফালে, চৰকাৰে সমগ্ৰ চহৰত চিপাহী মোতায়ন কৰিছে, নজৰ ৰাখিছে চাৰিওফালে। প্ৰতিবাদ কৰিবলৈ কোনোবা ৰাস্তাত নামিলেই বিহা হ 'ব শাস্তি। এইবোৰ অগ্ৰাহ্য কৰি বহু ছাত্ৰ প্ৰথমতে সমবেত হ'ল ঢাকা মেডিকেল কলেজত।তাৰ পৰা মিছিল কৰি তেওঁলোক যাবলৈ আৰম্ভ কৰিলে ঢাকাৰ বিধানসভাৰ ফালে। ৰাস্তাত পুলিছে লাঠীৰে মাৰধৰ কৰি ৰখোৱাৰ চেষ্টা কৰিলে মিছিল। বহু ছাত্ৰ আহত হ'ল। বাকীবোৰ আগবাঢ়ি গ'ল। বিধানসভাৰ চৌপাশ ঘেৰাও পেলালে ছাত্ৰসকলে। পুলিচে তেতিয়া হাতত বন্দুক লৈ আক্ৰমণ কৰিলে। গুলী চলিল মিছিলৰ ওপৰত। প্ৰাণ হেৰুৱালে ভালে কেইজনমান ছাত্ৰই।, আহত হ'ল আৰু বহুত। লেখক, সাংবাদিক আব্দুল গাফফৰ চৌধুৰী, তেতিয়া ঢাকাত পঢ়ি আছিল। গুলী চলাৰ খবৰ পাই দৌৰি গ'ল মিছিলৰ ছাত্ৰসকলৰ খবৰ ল'বলৈ। চালাম, ৰফিক, চফিউৰ, জব্বাৰ, বৰকটৰ মৃত ৰক্তাক্ত দেহে তেওঁক জোকাৰি পেলালে। পিছৰদিনা খবৰ কাকতৰ শেষ পৃষ্ঠাত

‘একুশের গান’ নামত চপা হ’ল তেওঁ লিখা কবিতা, যদিও লেখকৰ নাম চপা হোৱা নাছিল সিদিনা। পিছত সুৰ সংযোগ কৰি সেই কবিতাই হ’ল ভাষা শ্বহীদক স্মৰণ কৰাৰ গান। আজিও প্ৰতিবছৰ ২১ ফেব্ৰুৱাৰীত মিছিল কৰি এই গান গাই সকলোৱে শ্ৰদ্ধা জনায় ভাষাৰ বাবে প্ৰাণ আহুতি দিয়া মানুহক। সেই গানটোৰ অলপ এনেধৰণৰ –

আমাৰ ভাইৰ ৰক্ত ৰঞ্জিত একৈশ ফেব্ৰুৱাৰী
আমি জানো পাহৰিব পাৰো
সন্তানহাৰা শত মাতৃৰ অশ্ৰুৰে গঢ়া একৈশ ফেব্ৰুৱাৰী
আমি জানো পাহৰিব পাৰো
আমাৰ সোণৰ দেশক ৰক্ত ৰঞ্জিত কৰা একৈশ ফেব্ৰুৱাৰী
আমি জানো পাহৰিব পাৰো
জাগা নাগিনীবোৰ জাগা নাগিনীবোৰ জাগা বৰদৈচিলাবোৰ
শিশুহত্যাৰ বিক্ষোভত আজি কঁপি উঠক বসুন্ধৰা
দেশৰ সোণৰ সন্তানক হত্যা কৰি ৰোধ কৰে মানুহৰ দাবী
দিন সলনিৰ ক্ৰান্তিকালত তথাপি তইঁতে জানো নিস্তাৰ পাবি?
নাই নাই, নাই, নাই তেজেৰে ৰাঙলী ইতিহাসত শেষ ৰায়
দিয়া হ’ব তাকেই
একৈশ ফেব্ৰুৱাৰী, একৈশ ফেব্ৰুৱাৰী

২১ ফেব্ৰুৱাৰীৰ ঘটনাৰ পাছত মানুহৰ খঙ সাংঘাতিক বাঢ়িল, প্ৰতিবাদ আৰু শক্তিশালী হ'ল,এই প্ৰতিবাদ – ক্ষোভ পূৱ পাকিস্তানৰ বহু জিলাত বিয়পি পৰিল। দুবছৰ পাছত বাংলা ভাষাক পাকিস্তানৰ ৰাষ্ট্ৰীয় ভাষা হিচাপে মানি ল'বলৈ পাকিস্তান চৰকাৰ বাধ্য হ'ল। সংবিধান সংশোধন কৰি লিখা হ'ল যে পাকিস্তানৰ ভাষা হ'ব উৰ্দু আৰু বাংলা। মাতৃভাষাৰ বাবে যুদ্ধত যিসকলে প্ৰাণ আহুতি দিছিল, তেওঁলোকৰ স্মৃতিত ঢাকাত তৈয়াৰ হ'ল শ্বহীদ মিনাৰ। ১৯৫২ চনৰ ২১ ফেব্ৰুৱাৰীৰ দিনটোৱে পূৱ পাকিস্তানৰ ইতিহাসৰ গতি পথ সলনি কৰি দিয়ে।

বাংলা ভাষাক নতুন দেশত ঠাই দিয়া হ'ল যদিও বাঙালী প্ৰধান পূৱ পাকিস্তানৰ মানুহৰ আছিল বহুতো অভিযোগ। তেওঁলোকে ভাবিছিল – প্ৰথমৰ পৰাই পাকিস্তান চৰকাৰে একপক্ষীয়ভাৱে শাসন চলাইছিল। পূৱ পাকিস্তানৰ মানুহে চৰকাৰী কাম, সেনা বাহিনীত চাকৰি আৰু নানা ক্ষেত্ৰত ক্ষমতা বহু কমকৈ পাইছে। টকা পইচাও চৰকাৰে বেছিকৈ খৰচ কৰিছিল পশ্চিমত। সেয়ে তেওঁলোকে মানি ল'ব পৰা নাছিল পশ্চিম পাকিস্তানৰ একচেতীয়া শাসন। তাৰ উপৰিও ভাষা জাপি দিয়াৰ খঙটো আছিলেই। এইবোৰ খঙ, অভিযোগৰ পৰাই লাহে লাহে পূৱ পাকিস্তানৰ বাঙালীসকলৰ মাজত নিজৰ বাবে এখন পৃথক দেশ হওক – এনেধৰণৰ ইচ্ছাৰ সৃষ্টি হৈছিল। আৱামী লীগ দলৰ নেতা শ্বেইখ মুজিবুৰ ৰহমানৰ নেতৃত্বত স্বাধীন বাংলাদেশৰ বাবে দাবী শক্তিশালী হৈ উঠিল। ১৯৭১ চনত বহু ৰক্তপাত, বহু ধ্বংসলীলাৰ পাছত জন্ম হ'ল বাংলাদেশ। বাংলা ভাষাৰ মানুহে নিজকে এক জাতি বুলি ভাবি, একলগ হৈ তৈয়াৰ কৰি ল'লে নিজৰ পৃথক দেশ। নিজৰ মাতৃভাষাৰ বাবে প্ৰাণ আহুতি দিবলৈও প্ৰস্তুত আছিল ২১ ফেব্ৰুৱাৰীৰ

সমদলত যোগ দিয়া লোকসকল। সেইবাবেই এই দিনটো বিশ্বৰ আটাইৰে বাবে মাতৃভাষা দিৱস। ১৯০৫ চনত ইংৰাজসকলে বংগ বিভাজন কৰাৰ পাছত ৰবীন্দ্ৰনাথ ঠাকুৰে সমগ্ৰ বংগৰ মানুহক একত্ৰিত কৰি ৰাখিবৰ বাবে গান লিখিছিল, 'আমাৰ সোণাৰ বাংলা, আমি তোমায় ভালোবাসি'। সেই গানেই হ'ল ১৯৭১ ত নতুনকৈ জন্ম লোৱা বাংলাদেশৰ জাতীয় সংগীত।

नन्றி
धन्यवाद
Thank You
شکریہ
ধন্যবাদ
ଧନ୍ୟବାଦ

৪। ভাষাই গঢ়ে, ভাষাই ভাঙে?

(ক) ভাষাৰ বাবে ৰাজ্য

উভতি অহা যাওক আমাৰ দেশ ভাৰতৰ কথালৈ। এই দেশৰ মজাটোৱেই হ'ল বহু ভাষাৰ মানুহ মিলিজুলি একলগে থকা, সেয়া যেন এক বিৰাট আনন্দৰ কথা। এই যেনেকৈ আৰম্ভণিতে কৈছিলো, একো একোখন ৰাজ্যত একো একোটা ভাষাৰ মানুহ থাকে। আকৌ একোখন ৰাজ্যৰ মাজতো থাকে বিভিন্ন ভাষাৰ মানুহ। আমাৰ ৰাজ্যতো বাংলাৰ বাহিৰেও আৰু কিমান যে ভাষা। দাৰ্জিলিঙত ফুৰিব গ'লেই চিনাকি হয় নেপালী ভাষাত কথা কোৱা মানুহবিলাকৰ লগত। কিছুসময় তাত থাকিব পাৰিলে, অলপ অলপ শিকিয়েই ল'ব পৰা যায় তেওঁলোকৰ ভাষা। বিচাৰিলেই শুনিব পৰা যায় তেওঁলোকৰ ইতিহাস, আদব কায়দা, ৰীতি নীতি, দিন যাপনৰ গল্প। এইবোৰ বিভিন্ন ধৰণৰ গল্প উপভোগ কৰি আমি এখন দেশত থাকো।

কিন্তু ভাষাই কেৱল বান্ধিয়েই ৰাখেনে? চাৰিওফালে যে ইয়াৰ বিপৰীত ছবিও দেখো আমি। সকলো ৰাজ্যতে বহু ভাষাৰ মানুহ থাকে ঠিকেই কিন্তু তেওঁলোকৰ মাজত যি ভাষা কোৱা মানুহৰ সংখ্যা বেছি বা যাৰ ক্ষমতা বেছি, তেওঁলোকৰ ভাষাই সেই ৰাজ্যৰ ভাষা হৈ পৰে। যেনেকৈ পশ্চিমবংগত বাংলা ভাষাৰ মানুহ বেছি, সেয়েহে বেছিভাগ ষ্টেছনৰ নাম বাংলা।

স্কুলত আমি বাংলা পঢ়োঁ। কিন্তু আগতে আমি পঢ়ি আহিলো যে সংখ্যাত বেছি হৈ উঠাৰ বহু আগৰপৰাই ক্ষমতাৰ দিশেৰে ডাঙৰ হৈ উঠিছিল কলিকতাৰ বাংলা। এনে ক্ষমতাৰ পাৰ্থক্যৰ ফলত একে ৰাজ্যত ডাঙৰ ভাষা, সৰু ভাষাৰ ভেদাভেদ সৃষ্টি হয়। যি ভাষাৰ মানুহ ক্ষমতাৰ ফালৰ পৰা পিছপৰা তেওঁলোকে ভাবে যে ডাঙৰ ভাষাৰ খুবেই প্ৰতিপত্তি আৰু আমি একেবাৰে একাষৰীয়া হৈ পৰিছো! সকলো সুযোগ সুবিধা ডাঙৰ ভাষাৰ মানুহবোৰেই পাইছে! তেতিয়া তেওঁলোকৰ মাজৰ কোনোবা কোনোবাই কোৱা আৰম্ভ কৰে যে আমি এই ৰাজ্যৰ পৰা ওলাই নিজৰ বাবে বেলেগ ৰাজ্য বিচাৰো। তেওঁলোক লাহে লাহে সংখ্যাত ডাঙৰ হৈ আহে, শক্তিশালী হয় পৃথক ৰাজ্যৰ দাবী। সকলো ৰাজ্যতে যে সকলো সময়তে সকলোৱে পৃথক হ'ব বিচাৰিছে এনেকুৱা নহয় কিন্তু। বহু ৰাজ্যত সুন্দৰকৈ মিলিজুলি আছে বহু ভাষা। কিন্তু কৰবাত কৰবাত এক ভাষাৰ সৈতে অন্য ভাষাৰ তীব্ৰ সংঘাত হয়। স্বাধীন ভাৰতৰ ইতিহাসৰ বহু অংশজুৰি আছে এই ধৰণৰ সংঘাত। কেতিয়াবা কেতিয়াবা সেই সংঘাতে সলাই দিছে ৰাজ্যৰ সীমা, গঠন হৈছে নতুন ৰাজ্য।

ভাৰত যেতিয়া স্বাধীন হয় ধৰ্মৰ ভিত্তিত দেশো ভাগ হৈছিল। ধৰ্মৰ পৰিচয়ে আন সকলো পৰিচয়কে গ্ৰাস কৰি আনিলে। চাৰিওফালে ধৰ্মৰ নাম অৰিয়া অৰি, সংঘৰ্ষ।এনে টুং টাং অৱস্থাত ভাৰতৰ জাতীয় কংগ্ৰেছে স্বাধীন দেশৰ চৰকাৰ গঠন কৰিলে। ইফালে, ধৰ্মৰ সংঘাত শাম কটাৰ আগতেই ভাষাৰ পৰিচয়ে মূৰ দাঙি উঠিল। দেশৰ নানা ঠাইত শুনা

গ’ল ভাষাৰ ভিত্তিত পৃথক ৰাজ্য গঠনৰ দাবী। বৃটিছ ভাৰতৰ মাদ্ৰাজ প্ৰদেশত একেলগে তামিল, মালায়লম, তেলেগু, কন্নড় আৰু মাৰাঠী ভাষাৰ মানুহ আছিল৷ স্বাধীনতাৰ পাছতেই তেলেগু ভাষাৰ মানুহবোৰে মাদ্ৰাজৰ পৰা পৃথক হোৱাৰ দাবী উত্থাপণ কৰিলে। তেওঁলোকে অভিযোগ কৰিলে যে এই ৰাজ্যত তামিলসকলৰ ক্ষমতা বহুত বেছি, আন ভাষাৰ ওপৰত আধিপত্য চলে তেওঁলোকৰ। এইবাৰ আমাৰ ভাষাৰ মানুহৰ বাবে পৃথক ৰাজ্য হওক। তাত আমাৰ সুযোগ সুবিধা আৰু ক্ষমতা হ’ব বেছি৷

দেশ স্বাধীন হোৱাৰ আগতে ভাষাৰ ভিত্তিত ৰাজ্য গঠন হোৱা উচিত বুলি কংগ্ৰেছে বিবেচনা কৰিছিল। কিন্তু স্বাধীন দেশৰ চৰকাৰ গঠন কৰি তেওঁলোকে মত সলনি কৰিলে। তেওঁলোকে মন কৰিলে যে ইমান এখন ডাঙৰ দেশৰ, ইমান ধৰণৰ মানুহক একেলগে একত্ৰিত কৰি ৰখাটো এই মুহূৰ্তত সকলোতকৈ জৰুৰী কাম৷ তেতিয়াহে বিশাল দেশখনৰ বৃহৎ সংখ্যক মানুহে ভাৰতবৰ্ষক ‘আমাৰ দেশ’ বুলি ভাবিবলৈ শিকিব, তাৰ নিয়ম কানুন মানি চলিবলৈ শিকিব। এজন মানুহৰেতো নানান পৰিচয় থাকে – তেওঁ ভাৰতীয়, হয়তো তেওঁ বাঙালী আৰু ধৰ্মৰ দিশৰ পৰা তেওঁ হিন্দু বা মুছলমান । নতুন চৰকাৰে ক’লে – হ’ব পাৰে তুমি কথা কোৱা বাংলা ভাষাত, পূজা কৰা মন্দিৰ বা মছজিদত কিন্তু সকলোতকৈ ওপৰত মনত ৰাখিবা যে তুমি ভাৰতীয়। এইটোৱে তোমাৰ আটাইতকৈ ডাঙৰ পৰিচয়। দেশ বিভাজনৰ মাৰামাৰিত কোন হিন্দু,কোন মুছলমান এই প্ৰশ্ন এনেই ডাঙৰ হৈ উঠিছিল।

কংগ্ৰেছে ভাবিলে যে এই অৱস্থাত পৃথক পৃথক ভাষাৰ ভিত্তিত ৰাজ্য ভাগ কৰিবলৈ আৰম্ভ কৰিলে কোন বাঙালী আৰু কোন তামিল, কোন মাৰাঠী আৰু কোন পাঞ্জাৰী, এইবোৰ প্ৰশ্নই ডাঙৰ হৈ উঠিব, দেশৰ মানুহক একত্ৰিত কৰি ৰখাটো ভীষণ কঠিন হ'ব। ভাৰতীয় হোৱাৰ ডাঙৰ আবেগতকৈ নানা ভাষাৰ ক্ষুদ্ৰ ক্ষুদ্ৰ আবেগে মূৰ দাঙি উঠিব। সেয়ে ভাষাৰ দাবীক সাময়িকভাৱে স্থগিত কৰি ৰখা হ'ল। ইফালে, চৰকাৰে গুৰুত্ব নিদিয়া দেখি ভাষাৰ আবেগ আৰু জোৰদাৰ হ'ল। তেলেগু ভাষাৰ যিবোৰ মানুহে পৃথক ৰাজ্য বিচাৰিছিল, তেওঁলোকৰ নেতা আছিল কংগ্ৰেছ দলৰে পট্টী শ্ৰীৰামালু। ৰাজধানী দিল্লীত বহি ডাঙৰ নেতা মন্ত্ৰীসকলে যিয়েই নকওক কিয়, তেওঁৰ ভাষাৰ মানুহৰ বাবে পৃথক ৰাজ্যৰ দৰকাৰ বুলি তেওঁ গণ্য কৰিছিল। তেওঁ গান্ধীবাদী মানুহ আছিল। মহাত্মা গান্ধীৰ দৰে অনশণ কৰি প্ৰতিবাদ কৰাত বিশ্বাস আছিল তেওঁৰ। ইংৰাজ শাসকসকলে গান্ধীৰ অনশণক খুউব ভয় কৰিছিল। তেওঁলোকে জানিছিল যে গান্ধীৰ গা যদি বেয়া হয়, দেশৰ সকলো মানুহে দলে বলে ৰাস্তাত নামি ভীষণ আন্দোলন কৰিব। স্বাধীন দেশতো আৰু অত্যাচাৰী বৃটিছ নহয়, এতিয়া নিজৰে চৰকাৰ। তেওঁলোকেও দাবী দাবাৰ প্ৰতি মনোযোগ নিদিয়া দেখি পট্টী শ্ৰীৰামালুয়ে বাচি ল'লে সেই অনশনৰ পথ। পিছে তেওঁৰ অনশণেও দিল্লীৰ নেতাসকলৰ মত সলনি নহ'ল। ৫৬ দিন অনশণ কৰাৰ পাছত মৃত্যু হ'ল পট্টী শ্ৰীৰামালুৰ। ইয়াৰ পাছত ভয়ংকৰ উত্তেজিত হৈ উঠিল তেলেগুভাষী মানুহসকল। স্বাধীন দেশত নতুন চৰকাৰৰ

বিৰুদ্ধে তীব্ৰ আন্দোলন আৰম্ভ হ'ল। প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰু তেতিয়া বিপাকত পৰিল। পৰিস্থিতি শান্ত কৰিবলৈ পৃথক তেলেগু ৰাজ্যৰ দাবী মানি ল'লে তেওঁ। গঠন হ'ল অন্ধ্ৰপ্ৰদেশ। সেই ঘটনাৰ পাছতেই নানা ঠাইত সুপ্ত অৱস্থাত থকা ভাষা ভিত্তিক ৰাজ্যৰদাবী হঠাৎ জোৰদাৰ হৈ উঠিল। কন্নড়, তামিল, মাৰাঠী, পঞ্জাৱী এই সকলো ভাষাৰ মানুহেও বিচাৰিলে যে তেওঁলোকৰ বাবে পৃথক ৰাজ্য হওক।

কেন্দ্ৰৰ চৰকাৰে দেখিলে ভীষণ বিপদ। দেশলৈ ঐক্য আহিব কেনেকৈ? লাহে লাহে পৃথক পৃথক ভাষাৰ পৰিচয়ে মূৰ দাঙি উঠিছে। আকৌ সকলোকে লৈ চলিব হ'লে তেওঁলোকৰ ভাষা, তেওঁলোকৰ মতকগুৰুত্ব দিয়াটোও জৰুৰী। চৰকাৰে আকৌ নতুনকৈ ভাবিবলৈ আৰম্ভ কৰিলে – কেনেকৈ পৃথক পৃথক ৰাজ্য গঠন কৰিব পাৰি। শেষত ১৯৫৬ চনত সংসদত আইন গৃহীত কৰা হ'ল। আইনত কোৱা হ'ল যে একো একোটা অঞ্চলত সকলোতকৈ বেছি মানুহে যি ভাষাত কথা কয়, সেই ভাষা অনুযায়ী ৰাজ্য হ'ব। অন্ধ্ৰপ্ৰদেশৰ দৰে গঠন হ'ল বেচ কেইখনমান ভাষাভিত্তিক ৰাজ্য। পিছে একে ভাষাৰ মানুহক একেখন ৰাজ্যত ৰখা হ'ল আৰু সকলো সমস্যাও লগে লগে শেষ হৈ গ'ল, ইমান আৰু সহজ নেকি! সুযোগ সুবিধা আৰু ক্ষমতা কোনে বেছি পালে আৰু কাৰ ভাগত কম পৰিল – এই গণ্ডগোল জানো ভাষাৰ বান্ধোনেৰে সকলো সময়তে বান্ধি ৰাখিব পৰা যায়? এক ভাষাৰ ৰাজ্যতো নানান সমস্যা হৈয়েই থাকে। অন্য কিমানধৰণৰ অন্যায়ৰ বিৰুদ্ধে ৰাজ্য পৃথক কৰাৰ দাবী উঠে

তেতিয়াও। সেয়েহে তেলেগু ভাষাৰ মানুহৰ ৰাজ্য অন্ধ্রপ্রদেশ এই কিছুবছৰ আগত ২০১৪ চনত ভাঙি গৈ গঠিত হ'ল পৃথক তেলেংগানা ৰাজ্য। ৰাজ্য বিভাজন, নতুন ৰাজ্য গঠনৰ কাম আজিও কিন্তু চলি আছে।

পিছে ৰাজ্য ভাগ হ'ল বুলিয়েই এখন ৰাজ্যৰ মানুহ অন্য ৰাজ্যলৈ যোৱা বা থকাতো বাৰণ হ'ল, তেনে নহয় কিন্তু!আৰম্ভণিতে কৈছিলো, আমি সকলোৱেই বিচাৰিলেই যাব পাৰো যিকোনো ৰাজ্যলৈ, থাকিবও পাৰো তাত। দেশৰ সকলোৰে সেই অধিকাৰ আছে। তথাপিও বহু ৰাজ্যৰে ওচৰে পাজৰে থকা দুই ভাষাৰ মানুহৰ মাজত লাগে মহা গণ্ডগোল। এক ভাষাৰ কিছু মানুহে কয় যে এই ৰাজ্য কেৱল আমাৰ, বাকীবিলাকক খেদো। আচলতে কেৱল 'মোৰ ভাষা বনাম তোমাৰ ভাষা' - এইধৰণৰ সহজ নহয় হিচাপটো। আচল কাজিয়াটো লাগে এখন ৰাজ্যৰ চাকৰি বাকৰি, মাটি, সম্পত্তি আৰু আন আন সকলো সুযোগ সুবিধা কোনে পালে, কোনে নাপালে তাক লৈ। এক ভাষাৰ মানুহে যদি বাকীসকলতকৈ এইবোৰত যদি অলপ বেছি ভাগ পায়, তেতিয়া তেওঁলোকৰ ক্ষমতাও হয়গৈ অধিক। আকৌ যিসকলৰ ক্ষমতা বেছি, তেওঁলোকেও বহুক্ষেত্রত বাকীসকলক অলপ সৰু বুলি ভাবে। সেয়াতো ভীষণ অপমানৰ কথা!এইবোৰ সুযোগ সুবিধা ক্ষমতা, মান – সন্মানৰ কাজিয়াবোৰে প্ৰায়ে ভাষাৰ নাম লৈ সংঘাতৰ ৰূপ লয়। স্বাধীন ভাৰতৰ নানান ঠাইত নানান সময়ত এনেকুৱা সংঘাত সৃষ্টি হৈছিল। সেইবোৰ ইতিহাস সম্পূৰ্ণকৈ ক'বলৈ গ'লে ইমান কথা ক'ব লাগিব যে এইখন

কিতাপত নাটিবই। ঘৰৰ কাষৰ এটা উদাহৰণ দিও। আমাৰ পশ্চিমবংগৰ উত্তৰ পূৱৰ ৰাজ্য অসমতেই যেনেকৈ অসমীয়া আৰু বাংলা, এই দুই ভাষাৰ মানুহৰ মাজত বহু বছৰ ধৰি চেপা উত্তেজনা চলি আছে, মাজে মাজে ই ৰক্তাক্তও হৈ উঠে। এই ইতিহাসটোকেই অলপ খুলি কও, তেতিয়া তোমালোকে বুজিব পাৰিবা যে ভাষাৰ সংঘাতৰ অন্তৰালত লুকাই থাকে কিমান পোৱা – নোপোৱাৰ জটিল হিচাপ। অসমীয়া – বাঙালীৰ গণ্ডগোলৰ আৰম্ভণিটো লুকাই আছে বৃটিছ ভাৰতৰ ইতিহাসত। বুজিবলৈ হ'লে সেয়ে আকৌ উভতি যাব লাগিব সেই সময়লৈ।



(খ) অসমত ভাষাৰ সংঘাত

অসমৰ ভাষাৰ সংঘাতৰ ইতিহাস বেছ দীঘলীয়া। সেই ইংৰাজ আমোলৰ পৰাই ভাষাক লৈ নানান উথান পতন চলিছে। বাংলা জোৰকৈ জাপি দিয়াৰ বিৰুদ্ধে সংগ্ৰাম কৰিছে অসমীয়াসকলে। আকৌ এটা সময়ৰ পাছত অসমীয়া জোৰকৈ জাপি দিয়াৰ বিৰুদ্ধে সংগ্ৰাম কৰিছে বাঙালীসকলে। একোটা ভাষা একোটা সময়ত বেছি শক্তিশালী হৈছে, সময়ৰ পাকত পৰি সেই ভাষাই হৈছে বিপৰ্যস্ত। প্ৰথমৰ পৰা আৰম্ভ কৰো তেনেহ'লে। এতিয়া যি অসম ৰাজ্য, তাত বহু মানুহৰ ভাষা অসমীয়া পিছে অসমীয়াৰ বাহিৰেও ইয়াত বাঙালী, বড়ো, কাৰ্বি, ডিমাছা – এইধৰণৰ বহু ভাষাৰ মানুহ থাকে। বহু বাঙালী অসমত বহুদিন ধৰি আছে। আচলতে বাংলা আৰু অসমৰ ইতিহাস সংপৃক্ত হৈ আছে ইটো সিটোৰ সৈতে।

১৮২৬ চনত অসম দখল কৰিছিল ইংৰাজসকলে। তেতিয়ালৈকে বংগত তেওঁলোক খুটি পুতি বহিছে, কিন্তু পূব ফালে আৰু বিশেষ আগবাঢ়িব পৰা নাছিল। শেষ পৰ্যন্ত অসম দখল কৰিলে। নতুন ঠাইৰ মানুহক ভাষা শিকাই কাম শিকাই চাকৰি বাকৰি দিব গ'লে বহুত দিন লাগি যাব। সিমান দিনলৈ জানো আৰু প্ৰশাসনৰ কাম পেলাই ৰাখিব পৰা যায়! আৰু ইংৰাজসকলৰ আচল উদ্দেশ্য আছিল অসমৰ পাহাৰবোৰত চাহ বাগান খোলা আৰু চাহৰ ব্যৱসায় কৰা। ব্যৱসায় চলাবলৈ কেৰানী, খাজাঞ্চী, কুলি, পাইক, চিপাহী লাগে।

ইতিমধ্যে বাঙালীসকলে ইংৰাজী শিকি বৃটিছসকলৰ চাকৰি বাকৰি কৰি বহুখিনি অভ্যস্ত হৈ উঠিছিল। সেয়ে লাভ লোকচানৰ হিচাপ কৰি শাসকসকলে ঠিৰাং কৰিলে যে সদ্যহতে বাঙালীসকলৰ জড়িয়তে অসমৰ কাম কাজ চলোৱা যাওক। নতুনকৈ দখল কৰা ঠাইখন তেওঁলোকে সুমুৱাই দিলে বংগ প্ৰদেশৰ ভিতৰত। অসমতনতুনকৈ অফিচ কাছাৰী খোলা হ'ল। তাত বহু বাঙালীক চাকৰি দিয়া হ'ল। সেয়ে সেই সময়ৰে পৰাই বাঙালীসকল আহি অসমত থকা আৰম্ভ কৰিলে। সেই ঠাইৰ মানুহে কোন ভাষাত কথা কয়, সেইবোৰ কেৰেপ নকৰাকৈ বাংলা ভাষাও আৰম্ভ কৰি দিলে ইংৰাজ শাসকে। কোৱা হ'ল যে লিখা পঢ়া আৰু কামৰ ঠাইত ভাষা হ'ব বাংলা। অসমীয়া যে এটা সুকীয়া ভাষা, চৰকাৰে সেয়াও মানি ল'ব বিচৰা নাছিল। অসমৰ মানুহে যি ভাষাত কথা কয়, সেয়া আচলতে বাংলাৰে এক প্ৰকাৰভেদ – এনেকৈয়ে কৈছিল তেওঁলোকে।

এটা কথা ইয়াতে অলপ কৈ থওঁ। কিতাপৰ আৰম্ভণিৰ ফালে কৈছিলো যে মিছনাৰীসকলৰ হাতত ইংৰাজ আমোলৰ আৰম্ভণিৰ পৰাই বাংলা ভাষাৰ পৰিৱৰ্তন হৈছিল। অসমতো ঠিক এনেকুৱাই হৈছিল। এফালে ইংৰাজসকলে অসমক বংগ প্ৰদেশলৈ আনি বাংলা আৰম্ভ কৰি দিলে। আনফালে অসমলৈ যে মিছনাৰীসকল আহিছিল, তেওঁলোকে দেখিলে যে অসমৰ মানুহৰ মুখৰ ভাষা পৃথক। তেওঁলোকে ছপাশাল খুলি অসমীয়া ভাষাত কিতাপ, কাকত

আলোচনী ছপাবলৈ আৰম্ভ কৰিলে। অসমৰ শিক্ষিত মানুহসকলো আগবাঢ়ি আহিল তেওঁলোকৰ ভাষাক আৰু শক্তিশালী কৰি তুলিবলৈ। অন্য যিকোনো ভাষাৰ দৰেই নিজৰ ভাষাক লৈ তেওঁলোকৰ খুউব গৰ্ব। তেওঁলোকেই ক্ৰমে কোৱা আৰম্ভ কৰিলে যে পৃথক ভাষা থকা স্বত্বেও কিয় অসমৰ ওপৰত বাংলা জাপি দিয়া হ'ল? প্ৰতিবাদ শক্তিশালী হ'বলৈ ধৰিলে, সমাজৰ আন মানুহেও সমৰ্থনত সুৰ মিলালে।

১৮৭৪ চনত অসমক বাংলাৰ পৰা পৃথক কৰাৰ প্ৰয়োজন আহি পৰিল। এনেকুৱা হ'ল মূলতঃ ব্যৱসায়ৰ খাতিৰত। অসমৰ ওচৰৰ পাজৰৰ পাহাৰত আছিল বহু জনজাতি মানুহ। কোনোপধ্যেই তেওঁলোকক নিয়ন্ত্ৰণত আনিব পৰা নাছিল বৃটিছসকলে। সেয়ে ঠিক কৰা হ'ল যে এই অঞ্চলটোক অলপ পৃথকভাৱে আৰু কঠোৰ শাসনৰ অধীনলৈ আনিব লাগিব। যাতে অধিক শক্তিৰে পাহাৰবোৰ দখল কৰিব পৰা যায়। কাঢ়া শাসনেৰে বান্ধিলেহে বেছিকৈ চাহ বাগান খুলিব পৰা যাব, নানান কৃষিকাৰ্য কৰি লাভ কৰিব পৰা যাব। সেই যে কৈছিলো, বৃটিছসকলৰ সময়ত প্ৰদেশ ভাগ কৰা, গঠন কৰা সকলো হৈছিল তেওঁলোকৰ ব্যৱসায়িক লাভ ক্ষতিৰ অংক মতে। সেয়ে সেই হিচাপ কৰিয়েই অসম হ'ল পৃথক প্ৰদেশ। আৰু তাৰ ঠিক আগত ১৮৭৩ চনত অসমীয়াক চৰকাৰী ভাষা বুলি স্বীকাৰ কৰি লৈছিল ইংৰাজ চৰকাৰে।

পৃথক প্ৰদেশ হ'লে কি হ'ব, বংগৰ পৰা একেবাৰে পৃথক কিন্তু নহ'ল। অসমত যে বহু বাঙালী – বিশেষকৈ অসমৰ দক্ষিণৰ পাহাৰৰ গাত থকা চিলেট আৰু কাছাৰ জিলাত বহু মানুহৰ ভাষাই আছিল বাংলা। এই বাঙালীসকলে কোৱা আৰম্ভ কৰিলে যে তেওঁলোকৰ জিলাক বংগৰ সৈতে বংগৰ সৈতে সংযুক্ত কৰি দিয়া হওক। অসমীয়াসকলৰো এটা ডাঙৰ অংশই বিচাৰিছিল, এওঁলোক গুছি যাওক বংগলৈ। অসমত তেতিয়াহ'লে বাঙালীৰ প্ৰতিপত্তি কমে। কিন্তু বিচাৰিলে কি হ'ব? কোনে বা শুনিব এইবোৰ দাবী। বাৰে বাৰে নানান হিচাপ কৰি সীমা সলনি কৰাৰ খেল চলাই গ'ল ইংৰাজ চৰকাৰে। অলপ আগতে কৈছিলো যে ১৯০৫ চনত বংগ বিভাজন হৈছিল, আৰু পূৰ্ববংগৰ সৈতে সংযুক্ত হৈছিল অসম। চিলেট, কাছাৰৰ বাঙালীসকলৰ তেতিয়া খুব আনন্দ। পূৰ্ববংগৰ লগত সংযুক্ত হোৱাৰ বাবে! কিন্তু আকৌ যেতিয়া অসম পৃথক হ'ল ১৯১১ চনত, চিলেট আৰু কাছাৰ আকৌ আহি সোমাল অসমত। বাঙালী- অসমীয়াৰ কাজিয়া চলিয়েই থাকিল।

১৯২০ ৰ দশকত কিন্তু আৰু এটা ঘটনা ঘটিল। দেখা গ'ল – বংগৰ পূৱফালে যিমান কৃষিভূমি আছে তাতকৈ মানুহ বহুত বেছি, মাটি আৰু নোজোৰে। আনফালে অসমত কৃষি পদ্ধতিৰ ধৰণ পৃথক, তাত বংগৰ দৰে জমিদাৰৰ নামত মাটি ভাগ হোৱা নাছিল। বহু মাটি খালী পৰি আছে। ইংৰাজসকলে যথাৰীতি লাভৰ উপায় দেখিলে। খালী মাটিত খেতি

হ'লেহে আৰু খাজনা আদায় কৰিব পৰা যাব। তেওঁলোকে পূৰ্ব বংগৰ খেতিয়কসকলক অসমৰ খালী মাটিত খেতি কৰিবলৈ মাতি আনিলে। দলে দলে বাঙালী খেতিয়ক আহিল অসমলৈ, আৰু তেওঁলোক তাতেই থাকি গ'ল। খেতি কৰি ঘৰ বনালে নতুন ঠাইত। এওলোক বেছিভাগেই আছিল পূৰ্ববংগৰ মুছলমান বাঙালী। তেওঁলোকে লাহে লাহে অসমীয়া ভাষাও শিকি ল'লে। বহু বছৰ থাকোতে থাকোতে তেওঁলোকে নিজক অসমীয়া বুলি পৰিচয় দিয়া আৰম্ভ কৰিলে। কিন্তু তথাপিও তেওঁলোক যে আচলতে বংগৰ পৰা আহিছিল, এই কথা কিন্তু সকলোৱে পাহৰি নগ'ল। বৰং বহু অসমীয়াই ভাবিলে যে শিক্ষিত বাঙালীসকলেতো দৰমহা পোৱা চাকৰিবোৰ লৈয়ে লৈছে, এতিয়া বাঙালী খেতিয়কো তেওঁলোকৰ প্ৰদেশৰ মাটি দখল কৰিবলৈ হাজিৰ৷ সেয়ে অসমৰ অসমীয়া আৰু বংগৰ পৰা অহা খেতিয়কসকল, এইধৰণৰ এটা বিভাজন ভিতৰি ভিতৰি থাকি গ'ল।

দেশ বিভাজনৰ সময়ত অসমৰ দক্ষিণ ফালৰ চিলেটৰ বেছিভাগ অঞ্চলেই গুছি গ'ল পূৱ পাকিস্তানলৈ। সমগ্ৰ কাছাৰ আৰু চিলেটৰ এটা ক্ষুদ্ৰ অংশ থাকিল বৰাক উপত্যকাত। স্বাধীনতাৰ পাছত দেখা গ'ল যে অসমৰ আন সকলো জিলাত অসমীয়া ভাষাৰ মানুহৰ সংখ্যা বহুত। কেৱল দক্ষিণত বৰাক উপত্যকাত প্ৰায় সকলোতে বাঙালী। স্বাধীনতাৰ পাছত বহু ঠাইত ভাষা অনুযায়ী ৰাজ্য তৈয়াৰ হৈছে। কিন্তু তেনে সময়ত অসম ৰাজ্যৰ চৰকাৰে

ঠিক কৰিলে, অসমীয়াই হ'ব সেই ৰাজ্যৰ একমাত্ৰ চৰকাৰী ভাষা। ১৯৬১ চনত এই ঘোষণা কৰা মাত্ৰকে বৰাক উপত্যকাৰ শিলচৰ, কৰিমগঞ্জ, হাইলাকান্দিৰ বাঙালীসকলে আৰম্ভ কৰিলে আন্দোলন। অসমীয়া ভাষা জাপি দিয়া চৰকাৰী নীতি কোনোপধ্যেই তেওঁলোকে মানি নলয়। আৰম্ভ হ'ল হৰতাল, পদযাত্ৰা। ১৯৬১ চনৰ ২১ মে'ত ৰাতিপুৱাৰ পৰা সকলো একগোট হ'ব আৰম্ভ কৰিলে শিলচৰ ৰে'ল ষ্টেচনত। অসম চৰকাৰৰ পুলিচো হাজিৰ। তীব্ৰ সংঘৰ্ষ হ'ল দুয়োপক্ষৰ। ১১ জনে প্ৰাণ হেৰুৱালে পুলিচৰ গুলীত। সিদ্ধান্ত হ'ল যে সমগ্ৰ অসমত অসমীয়া ভাষা থাকিব, কেৱল বৰাক উপত্যকাত থাকিব বাংলা ভাষা। অসম বংগৰ এই বিবাদৰ বিষয়ে বহু আলোচনা আমি চাৰিওফালে শুনিবলৈ পাও। সেই সংঘাত দেখোন কিমান বছৰ ধৰি চলি আছে। কিন্তু অসমত এই দুটা ভাষাৰ বাহিৰেও আন বহু ভাষাৰ মানুহ থাকে। এইবোৰ ভাষাৰ আমি খবৰ কিমান ৰাখো! তেওঁলোকে বহুতেই কিন্তু তেওঁলোকৰ ভাষা জীয়াই ৰখাৰ সংগ্ৰাম চলাই গৈছে প্ৰতিদিনে। অসমৰ উত্তৰৰ ফালে বড়ো জনজাতিৰ মানুহসকলে নিজৰ ভাষাৰ বাবে বহুদিন ধৰি সংগ্ৰাম কৰিছে। শেষত ২০০৪ চনত দেশৰ ভাষাৰ তালিকাত স্থান পাইছে বড়ো ভাষাই। অসমৰ চৰকাৰেও তেওঁলোকৰ ভাষাক মানি লৈছে। স্কুলত বড়ো ভাষাত লিখা পঢ়া কৰিব পৰা যাব, চৰকাৰী কাগজ পত্ৰত এই ভাষা চলিব। কিন্তু অন্য আৰু বহু ভাষাৰ জীয়াই থকাৰ সংগ্ৰাম চলিছে

প্ৰতিদিনে। কেৱল অসমতেই নহয়, সমগ্ৰ দেশতেই মাত্ৰ কেইটামান শক্তিশালী ভাষাই ইতিহাসত অলপ বেছি ঠাই পাইছে, তেওঁলোকৰ সংগ্ৰামৰ কাহিনী আমি বেছিকৈ জানিব পাৰো।

১৭৬৫	বংগ, বিহাৰ, উৰিষ্যাৰ খাজনা আদায়ৰ অধিকাৰ ব্রিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতলৈ গ'ল। এয়াই বৃহত্তৰ বংগ প্রদেশ।
১৮২৬	অসম দখল কৰিলে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে। এই অঞ্চলকো বংগ প্রদেশৰ অন্তর্ভুক্ত কৰিলে।
১৮৭৩	অসমীয়া চৰকাৰী ভাষা হিচাপে স্বীকৃত হ'ল
১৮৭৪	অসমক বংগৰ পৰা পৃথক কৰা হ'ল। গঠন হ'ল সুকীয়া অসম প্রদেশ।
১৯০৫	বংগ ভাগ হ'ল। পূৰ্ব বংগৰ অনেক জিলাক অসমৰ লগত সাঙুৰি গঠন কৰা হ'ল পূর্ববংগ আৰু অসম প্রদেশ।
১৯১১	বংগ ভংগৰ সিদ্ধান্ত প্রত্যাহাৰ হ'ল। আগৰ দৰেই বংগ প্রদেশ গঠন হ'ল, অসম পৃথক হ'ল।
১৯৪৭	দেশ স্বাধীন হ'ল, তাৰ লগে লগে দেশ বিভাজনো হ'ল। ভাৰত আৰু পাকিস্তান দুখন বেলেগ দেশ হ'ল। বংগৰ পূৱ অঞ্চলটো হ'ল পাকিস্তানৰ অংশ।
১৯৭১	পূৱ পাকিস্তানৰ বাংলাভাষী মানুহবোৰ পশ্চিম পাকিস্তানৰ পৰা পৃথক হৈ গঠন কৰিলে নতুন দেশ- নাম হ'ল বাংলাদেশ।

৫। দেশ সকলোৰে, তথাপি কোনোবা বাদ পৰে নেকি?

সকলো মানুহেই নিজৰ নিজৰ পৰিচয় লৈ ডাঙৰ হয়। সকলোৰে ভাষা, সকলোৰে ধৰ্ম ওচৰা ওচৰিকৈ একেলগে থাকিবই পাৰে, তাৰ ফলত কাৰো কোনো অসুবিধা হোৱাৰ কথা নাই। কিন্তু যেতিয়াই এটা ভাষাই আন ভাষাৰ ওপৰত আধিপত্য বিস্তাৰ কৰিবলৈ যায়, তেতিয়াই লাগি যায় গণ্ডগোল। যি ভাষাৰ মানুহৰ ক্ষমতা বেছি, তেওঁলোকে বাকীসকলক দবাই ৰখাৰ চেষ্টা আৰম্ভ কৰে, যাতে নিজৰ ক্ষমতা বৰ্তি থাকে। সেয়ে আমি দেখিলো যে বংগ – ভংগৰ সময়ত শিক্ষিত হিন্দু বাঙালী আন সকলতকৈ ক্ষমতাৰ দিশত ওপৰত, সেয়ে তেওঁলোকৰ দাবী আনৰ ওপৰত জাপি দিয়াৰ শক্তিও আছিল বেছি। ইংৰাজ শক্তিয়েও হাৰ মানিছিল। একেধৰণে দেশ বিভাজন হোৱা লগে লগে যেতিয়াই পশ্চিম পাকিস্তানৰ হাতত ক্ষমতা আহিল, উৰ্দু জাপি দিয়াৰ চেষ্টা কৰিলে তেওঁলোকে। অসমক যেতিয়া বংগলৈ অনা হ'ল, বাংলা জাপি দিয়া হ'ল অসমীয়াসকলৰ ওপৰত। এনেকৈ ক্ষমতাৰ উঠা নমা চলি থাকে, আৰু ভাষাৰ সংগ্ৰামৰ ইতিহাসেও নতুন নতুন মোৰ লয়।

ইফালে, আমাৰ মাজত সৃষ্টি হৈছে নানা পৰিচয়ৰ সীমা। আনফালে ৰাষ্ট্ৰই কেৱল আমাক মনত পেলাই দিয়ে যে তোমালোক সকলোৱে কিন্তু ভাৰতীয়, সেই কথা পাহৰি গ'লে নহ'ব। সহজ দৃষ্টিত কি যেন লাগে? পৰিচয় যিয়েই নহওক লাগিলে, একেই দেশত থাকো বুলিয়েই আমি জানো সকলো সমান? কিন্তু কোনোপধ্যেই সকলোৱে যে সমান হ'ব নোৱাৰো।

যি ভাষাৰ প্ৰতিপত্তি বেছি, সি কেৱল গিলি খাব বিচাৰে সৰু ভাষা বিলাকক। এইবাবেই মাজে মাজে হুংকাৰ দিয়ে আমাৰ দেশৰ চৰকাৰে – সকলোৱেই ভাৰতীয়, এইটো বুজোৱাৰ বাবে এটা ভাৰতীয় ভাষাৰ খুউব দৰকাৰ। দেশৰ ৰাজনীতিত হিন্দী ভাষাৰ মানুহৰ ক্ষমতা বেছি। তেওঁলোকে সুযোগ বুজি কয় যে হিন্দীয়েই হওক দেশৰ ভাষা, ৰাষ্ট্ৰীয় ভাষা। কিন্তু সকলোৱেতো হিন্দী নাজানে। ঠিক যেনেকৈ হিন্দী ভাষী মানুহেও আনৰ ভাষা নাজানে। সেয়ে কেৱল বেছি ক্ষমতা বুলি হিন্দী ভাষা জাপি দিব বিচাৰিলে বাকীবোৰে মানিব কিয়? বাকীবোৰৰ ভাষাতো আৰু কম ভাৰতীয় নহয়। ইয়াক লৈ মাজে মাজে খুউব হুলস্থূল লাগে।

দেশত কেৱল একেধৰণৰ হিন্দীহে আছে নেকি? কিমান অঞ্চলৰ মানুহে যে কিমান ধৰণৰ হিন্দী কয়! অথচ যি হিন্দীক ৰাষ্ট্ৰীয় ভাষা বুলি জাপি দিয়াৰ ইমান চেষ্টা, সেইটো আচলতে একধৰণে জোৰকৈ তৈয়াৰ কৰা ভাষা। উত্তৰ ভাৰতত ‘হিন্দুস্তানী’ আছিল মানুহৰ মুখে মুখে চলা হিন্দী – উৰ্দুৰ মিশ্ৰিত এটা ভাষা। হিন্দু – মুছলমানে বহুদিন মিলিজুলি থকাৰ ফচল আছিল এই ভাষা। কিন্তু বিংশ শতিকাৰ পৰাই ধৰ্মৰ গোড়ামি সোমাই জটিল কৰি তুলিছিল ভাষাৰ কাহিনী। কিন্তু কিছুসংখ্যক গোড়া হিন্দু ভাষাবিদে উৰ্দু শব্দ বাদ দি, অধিক সংস্কৃত শব্দ সুমুৱাই পৃথক হিন্দী ভাষা তৈয়াৰ কৰাৰ চেষ্টা আৰম্ভ কৰিলে। এই ভাষাক তাৰ পাছত সাঙুৰি দিয়া হ’ল হিন্দুৰ পৰিচয়ৰ সৈতে। ইমানদিনে হিন্দুস্তানী অনায়াসে সকলোৱে লিখিছিল দেৱনগৰী বা নাস্তালিক লিপিত। কিন্তু এতিয়া কোৱা হ’ল হিন্দুসকলৰ ভাষা হিন্দী, যাক

লিখিব লাগিব দেৱনাগৰী লিপিত। আৰু উৰ্দু হ'ল মুছলমানৰ ভাষা, নাস্তালিক মুছলমানৰ লিপি। দেশ বিভাজনৰ সময়ত ভাষা আৰু লিপিক লৈ ধৰ্মৰ ভেদাভেদ আৰু জোৰদাৰ হ'ল। পাকিস্তানতো তেতিয়া উৰ্দুক ৰাষ্ট্ৰভাষা কৰাৰ বাবে কাজিয়া চলিছে। পাকিস্তান, মুছলমান আৰু উৰ্দু – কেনেবাকৈ যেন মিলি গ'ল কিছু মানুহৰ কল্পনাত। তেওঁলোকে খুউব চেষ্টা কৰিলে উৰ্দু বাদ দিয়া হিন্দীক কেনেকৈ ভাৰতৰ ভাষা বনাব পাৰি। বহুদিন ধৰি চলিছে এই চেষ্টা।। কিন্তু কোনো এটা 'ৰাষ্ট্ৰীয় ভাষা' বা দেশৰ ভাষা বুলি এতিয়াও প্ৰচলন কৰা হোৱা নাই।

ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত মুঠ ২২ টা ভাষাৰ উল্লেখ আছে। যিবোৰ বিভিন্ন ৰাজ্যৰ চৰকাৰী ভাষা। ৰাষ্ট্ৰীয় ভাষা বুলি কিন্তু কোনো ভাষা নাই। আৰু কোনো ভাষাৰ গাত 'ৰাষ্ট্ৰীয় ভাষা'ৰ নামাৱলী আঁৰি দিলেইতো সেই ভাষা দেশৰ সকলোৰে ভাষা হৈ নাযায়? দেশ, জাতি, দেশৰ বাবে গৰ্ব – এইবোৰ আমাক সৰুৰে পৰাই শিকোৱা হয়। এই শব্দবোৰ মানি ল'বলৈ আমাক অভ্যাস কৰোৱা হয় আৰু লাহে লাহে অভ্যাস হৈ যায়। জাতীয় সংগীত শুনিলেই আমি থিয় হও, জাতীয় পতাকা দেখিলেই সন্মান কৰো। কিন্তু 'জাতীয়' বুলি যি আমি মানি ল'বলৈ শিকিছো, তাৰ মাজত আমিও আছোনে, নে আমি বাদ পৰি গৈছো – এইটো কিন্তু আমি সকলোৱে ভাবো। বাংলা – নেপালীৰ সংঘাতৰ খবৰত তল পৰি ৰোৱা উত্তৰবংগৰ এটা চুকত টোটো ভাষা কোনোৰকম জীয়াই আছে।

দেশৰ কোনো ৰেল ষ্টেচনত এই ভাষাবোৰ দেখিবলৈ পোৱা নাযায়। গোটেই দেশৰ ভাষা এটাই হোৱা উচিত নে অনুচিত, সেই বিতৰ্কত এই ভাষাবোৰৰো মাত মতাৰ অধিকাৰ আছেনে? সেই প্ৰশ্নও নিশ্চয় ভাষাকেন্দ্ৰিক বিবাদৰ মাজত আহি পৰিব। এই অধিকাৰ কেৱল তামিল, বাংলা, মাৰাঠী, অসমীয়াৰ দৰে ক্ষমতাত ডাঙৰ ভাষাবোৰৰহে আছে নেকি? তেনেহ'লে কোনটো দেশৰ, কোনটো জাতীয়, এইবোৰ আচলতে কিছুসংখ্যক মানুহেহে ঠিক কৰে নেকি? তেনেহ'লে 'দেশৰ' শব্দটোৰ অৰ্থ কি? 'জাতীয়' বুলি কাক কোৱা হয়? যি সকলোৰে, নে যাক সকলোৱে মানি ল'ব লাগিব? এই প্ৰশ্নৰ উত্তৰ দিয়াৰ পৰা কিন্তু ৰাষ্ট্ৰ সদায় বিৰত থাকে।

৬। শেষৰ কথা

তোমালোকে নিশ্চয় মনে মনে ভাবিছা যে এই কিতাপত যিবোৰ কথা লিখিলো, সেইবোৰ আমি কেনেকৈ জানিলো? অত্যন্ত প্ৰয়োজনীয় প্ৰশ্ন এইটো। ভালদৰে লিখা পঢ়া নকৰি, অনুসন্ধান নকৰাকৈ সাজি সাজি কিবা লিখিলেই তাক ইতিহাস লিখা বুলি ক'ব নোৱাৰি। সেইবাবে অনেক কিতাপ, কাকত – আলোচনীত প্ৰকাশিত ইতিহাসবিদৰ লিখা, পুৰণি বাতৰি কাকত, চৰকাৰী কাগজ পত্ৰ – এইবোৰ পঢ়ি, বুজি, তথ্য আহৰণ কৰি এই কিতাপখন লিখিছো। এনে কিছুমান লিখনীৰ কথা তোমালোককো জনাই থও। যাতে ডাঙৰ হৈ তোমালোকে নিজেই পঢ়িব পাৰা।

বিপিন পালৰ আত্মজীৱনী Memories of my Life and Times (1932) ত তেওঁৰ চিলেটৰ পৰা কলকাতালৈ অহাৰ কাহিনী পাবা। বংগ ভংগ আৰু তাৰ বিৰুদ্ধে আন্দোলন সম্পৰ্কে জানিব পাৰিবা সুমিত সৰকাৰে লিখা কিতাপ The Swadeshi Movement in Bengal: 1903-1908 ত। পাকিস্তানৰ ভাষাৰ ৰাজনীতি,বাংলাদেশ গঠন হোৱাৰ ইতিহাসক লৈ তনভিৰ ফজলে লিখিছে Religion and Language in the Formation of Nationhood in Pakistan and Bangladesh (1999) নামৰ কিতাপখন। ১৯৫০ ৰ দশকত স্বাধীন ভাৰতৰ সংবিধান কিদৰে লিখা হৈছিল, কিদৰে ভাষাভিত্তিক ৰাজ্যসমূহ গঠন হৈছিল, এই বিষয়ে জানিব পাৰি জ্ঞানেশ কুদাইশিয়াই লিখা A Republic in the Making : Iindia in the 1950's কিতাপখন পঢ়িলে। লিছা মিছেলৰ Language, Emotion and Politics in South India:

The Making of Mother Tongue (2009) কিতাপখন পঢ়িলে জানিব পাৰি তেলেগু ভাষাৰ বাবে চলা যুঁজৰ কাহিনী। অসমীয়া ভাষাৰ ইতিহাস পঢ়িছো বোধিসত্ব কৰৰ কিতাপ Tongue has no Bone : Fixing the Assamese Language 1800-1930 (2008) কিতাপত। আজিৰ ভাৰতত হিন্দী ভাষাক জাতীয় ভাষা হিচাপে স্বীকৃতি দিয়াৰ বিতৰ্কক লৈ আলোক ৰায়ে Hindi Nationalism (2001) নামৰ এখন কিতাপ লিখিছে।

এই কিতাপখন লিখোতে আমাক আৰু বহুতেই সহায় কৰিছে। ভুল ধৰা পেলাইছে, আৰু কিদৰে ভালকৈ লিখিব পাৰি সেই বিষয়ে শিকাইছে। বিশেষভাৱে যাৰ কথা উল্লেখ কৰিবই লাগিব, তেওঁলোক হ'ল, সুভাষ ৰঞ্জন চক্ৰৱৰ্তী, মানবী মজুমদাৰ, ৰাজৰ্ষি দাসগুপ্ত, অচিন চক্ৰৱৰ্তী, সেমন্তী ঘোষ, কৃত্তিকা সেনগুপ্ত, বোধিসত্ব কৰ, অমিতাভ গুপ্ত, শৌভিক বন্দোপাধ্যায়, পাৰমিতা চক্ৰৱৰ্তী, মধুমিতা বসু, সাবিৰ আহমেদ, প্ৰিয়ংকৰ দে, উপনীতা মুখাৰ্জী, সুপূৰ্ণা বেণাৰ্জী, আৰশি পাৰভিন গুপ্ত, ৰাইশা মাহমুদ, ঐশী দত্ত, ৰূপকথা, মোহৰ সেনগুপ্ত, অন্বেষা সেনগুপ্ত, তিস্তা দাস। আটাইৰে ওচৰত আমি কৃতজ্ঞ।

এই কিতাপখন অসমীয়াত প্ৰকাশ কৰি উলিওৱাত বনানী চক্ৰৱৰ্তী, শান্তনু ফুকন, গ'ৰ্কী চক্ৰৱৰ্তী, হুছেইন মহম্মদ ছাহজাহানে আমাক বিশেষভাৱে সহায় কৰিছে।

লেখক আৰু শিল্পী পৰিচয়

এই কিতাপখন লিখিছে দেবাৰতি বাগচীয়ে। দেবাৰতি মেক্স ৱেবাৰ ফ'ৰাম ফৰ চাউথ এছিয়ান ষ্টাডিজ, নতুন দিল্লীৰ ৰিছাৰ্চ ফেলো.

কিতাপখনৰ চিত্ৰ পৰিকল্পনা, প্ৰচ্ছদ ৰাছিম হেলালৰ। তেওঁ পেছাত এজন গ্ৰাফিক ডিজাইনাৰ। নানান দেশী বিদেশী প্ৰকাশন সংস্থাৰ সৈতে ৰাছিমে ছবি, প্ৰচ্ছদ আৰু চিত্ৰ পৰিকল্পনাৰ কাম কৰিছে।

কিতাপখনৰ ছবি আঁকিছে ৰঞ্জিত চিত্ৰকৰ আৰু চিৰাজউদ্দৌলা চিত্ৰকৰে। তেওঁলোক বংশ পৰম্পৰা অনুসৰি পটশিল্পী। পশ্চিম মেদিনীপুৰ জিলাৰ পিংলা থানাৰ নয়া গ্ৰামৰ পৰা কাম কৰে ৰঞ্জিত আৰু চিৰাজউদ্দৌলাই। পটশিল্পৰ ঐতিহ্য অনুসৰি, তেওঁলোকে মূলত: হিন্দু দেৱ দেৱীৰ আখ্যান আঁকে আৰু তাক লৈ গান ৰচনা কৰে। এতিয়া তেওঁলোকে অন্যান্য বিষয় লৈও পট তৈয়াৰ কৰে। পটচিত্ৰ বাংলাৰ ধৰ্মীয় ঐতিহ্যৰ প্ৰমান। পটশিল্পীসকল ইছলাম ধৰ্মৰ হ'লেও তেওঁলোকে মূলত: হিন্দু ধৰ্মক কেন্দ্ৰ কৰি ছবি আঁকে আৰু গান ৰচনা কৰে। কেৱল সেয়াই নহয়, তেওঁলোকৰ নিজস্ব সামাজিক আখ্যান অনুসৰি, তেওঁলোক হিন্দু দেৱতা বিশ্বকৰ্মাৰ বংশধৰ। এইদৰে তেওঁলোকৰ জীৱন আৰু কামত ইছলাম আৰু হিন্দু ধৰ্ম সংপৃক্ত হৈ আছে।

The **Institute of Development Studies Kolkata (IDSK)** was set up in 2002 by the Government of West Bengal as an autonomous centre of excellence in social sciences. It is a society with an autonomous governing body with eminent scholars and Government's nominees. IDSK is recognized for its advanced academic research and informed policy advice in the areas of literacy, education, health, gender, employment, technology, communication, human sciences and economic development. The academic programmes at IDSK include MPhil (2006-2022) and PhD in social sciences and short training courses for research scholars. It offers state-of-the-art IT and library facilities to its students and research scholars. It is fully funded by the Government of West Bengal. IDSK has been recognized by the ICSSR under the category of "ICSSR Recognized Research Institutes".

The **Rosa Luxemburg Stiftung (RLS)** is a German political foundation that is part of the democratic socialist movement. True to the legacy of its namesake Rosa Luxemburg (1871-1919), it stands in solidarity with the workers' and women's rights movements. the organization serves as a forum for debate and critical thinking about political alternatives, as well as research centre for social development. The RLS has close ties to the German party DIE LINKE. RLS provides political education and a centre for advanced social research in both Germany and throughout the world. RLS is one of six party-affiliated political foundations in Germany; it supports partners in over 80 countries striving for social justice, strengthening public participation, and social ecological development.

চকু কান সজাগ কৰি ৰাখি ইতিহাস কেনেকৈ শিকিব পাৰি? ইতিহাস সচেতন বুলি কাক কোৱা হয়? এই প্ৰশ্নবোৰৰ উত্তৰ বিচাৰি পাবলৈ ‘ইতিহাসৰ আদিপাঠ’ চিৰিজৰ কথা ভাবিবা। একোখন কিতাপ একো একোটা বিষয়ক লৈ লিখা। লিখাৰ লগতে আছে শিল্পীসকলে অকা ছবি, পটচিত্ৰ। ইতিহাসৰ ভিন্ন সময় , নানান জটিল ধাৰণা সহজভাৱে বুজাই কোৱাটোৱেই এই কিতাপকেইখনৰ উদ্দেশ্য। কিতাপকেইখন পঢ়ি কণমানিসকলে প্ৰশ্ন কৰিবলৈ শিকিব – এইটোৱেই আমাৰ আশা।

IDSK

ROSA
LUXEMBURG
STIFTUNG
SOUTH ASIA